চান্দমামা

জুলাই ১৯৯২



4 Rs.

চান্দমামা

মাহৰ-পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সম্বদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপুৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

Holidays are for merry - making. Also for money - making!

A Holiday means a lot of free time. How about earning some money this year?

Here's how! An offer EXCLUSIVE for STUDENTS!

The whole thing is simple: all you have to do is to sell one annual subscription of Chandamama - any language. And there are 12 languages to choose from! The subscription is worth Rs 48. Your share is Rs 10. That is much more than what our agents get!

Sell 10 subscriptions and your purse will be heavier by Rs 100!

You can sell any number - there's no limit. The top 10 student-sales boys (girls are not excluded!) will receive Chandamama Scholarships. The next 100 will receive Chandamama T-shirts. All that is Bonus! Besides, you'll sharpen your sales skills, and develop a way with people.

Interested? Write, giving details of your school and attach 2 passport size photos. You'll then receive an identity card and subscription forms.



CHANDAMAMA

Chandamama Subscription
Promotion Cell

188, N.S.K. Salai, Vadapalani, Madras - 600 026.

AS—F-1

YOU KNOW HOW THESE GROWN-UPS KEEP TELLING US "DON'T DO THIS" AND "DON'T DO THAT"?
SO HERE'S SOMETHING GROWN-UPS ARE NOT ALLOWED TO DO (HA! HA! HA!)
THEY'RE NOT ALLOWED TO EAT THIS YUMMY NEW JAM FROM VOLFARM
BECAUSE (MMM!) IT'S FAR TOO GOOD FOR THEM
STRICTLY FOR KIDS ONLY!
New Volfarm Jam is made just for kids.
So, naturally, it's made just the way kids like it.
With the yummiest, juiciest fruits. (Slurp, slurp!)
Tell all those adults to keep their hands off it!
NOW
Volfarm
JAMS
MIXED FRUIT
PINEAPPLE
Ogilvy&Mather 9661

ল'ৰালিৰ ৰং ধেমালি
মজাই মজা
স্কুলত যে স্ফূৰ্ত্তি কিমান,
নতুন ফেভিক্ৰীল
ষ্টুডেণ্টচ পষ্টাৰ কালাৰ্চ
লগাবলৈ যে সহজ ইমান!
চোৰানা, দেখাত ক্ৰীমৰ দৰে
ৰং-বিৰঙী তিৰবিৰোৱা,
পাত সেউজীয়া, সেন্দুৰ ৰঙা,
আকাশী নীলা,
লগতে আছে গাখীৰ বগা !!
ড্ৰয়িং এটা দিয়া আঁকি,
ফটাফট দিয়া ৰং সানি,
নতুন ফেভিক্ৰীল ষ্টুডেণ্টচ
পষ্টাৰ কালাৰ্চে
কিমান যে দিয়ে মজা আনি!
আৰু ভালপাব তোমাৰ ধুনীয়া ধুনীয়া কাম!)
বিনামূল্যে
পেইণ্ট-এ-পষ্টাৰ
ইয়ালৈ লিখক: ফেভিক্ৰীল, পোষ্ট বক্স 17437,
আন্ধেৰী (ইষ্ট), বম্বে ৪০০ ০৫৯।
নতুন
পিডিলাইট
ফেভিক্ৰীল®
ষ্টুডেণ্টচ পষ্টাৰ কালাৰ্চ
কেমিকল ব্ৰেণ্ড এডেচিভৰ নিৰ্মাতা পিডিলাইটৰ তৰফৰ পৰা।
STUDENTS' POSTER COLOUR
Fevicryl
everest/91/PIL/117 as
নাম:
বয়স:
ঠিকনা:
স্কুল:
CDM

চান্দমামা

*

জুলাই ১৯৯২

এই * আছে

সংখ্যাত

*

মূল্যবোধ থকা শিক্ষা	:	৭	চান্দমামা-ক্রোড়পত্র	:	৩৩
স্বৰ্গৰ আঁহি	:	৯	অভিজ্ঞতাৰ দাম	:	৩৭
প্ৰেমৰ ভোজ	:	১১	পাণ্ডিত্যৰ উৎস	:	৪১
নজনাৰ সুবিধা	:	১৬	বীৰ হনুমান	:	৪৫
মায়া মহল	:	১৭	আকাশৰ কিমান খুঁটা	:	৫৩
পাণ্ডিত্য আৰু জ্ঞান	:	২৫	সোঁশৰীৰে স্বৰ্গলাভ	:	৫৬
মিছা-কাহিনী	:	৩১	বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

*

এতিয়া ফটো-নামকৰণৰ পুৰস্কাৰ ১০০ টকা!

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক : চক্ৰ পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

মূল্যবোধ থকা শিক্ষা

এই জুলাই মাহৰপৰা ছাত্ৰসকল বাবে পুনৰ স্কুল-কলেজলৈ যোৱা হ'ল। তেওঁলোকে তেওঁলোকৰ জীৱনৰ অমূল্য সময় বিদ্যাশিক্ষাৰ কৰণে নিয়োজিত কৰা হ'ব—'মূল্যবোধ-ভিত্তিক' বা 'কৰ্ম-ভিত্তিক' শিক্ষাৰ বাবে। এই দুটাৰ মাজত কিবা পাৰ্থক্য আছেনে ?' যদি আছে, সেই পাৰ্থক্য— কি ?

আমি যদি চৰিত্ৰগঠনৰ শিক্ষা আহৰণ কৰিব পাৰো যি শিক্ষাই আমাৰ ছাত্ৰসকলৰ মনৰ পৰিধি বঢ়াব, বুদ্ধিবৃত্তি ক্ষুৰধাৰ কৰি তুলিব, যি শিক্ষাৰ বলত প্ৰতিজন ছাত্ৰেই হৈ উঠিব স্বাৱলম্বী— তেনেহ'লে আমাৰ শিক্ষা-পদ্ধতিৱে নিশ্চয়—প্ৰশংসনীয় কাম কৰা বুলি ক'ব লাগিব।

কিন্তু এই স্ব-নিৰ্ভৰতা তথা স্বাৱলম্বিতা কেৱল নিজৰ কাৰণে হ'লেই নহ'ব, তেওঁৰ চাৰিওফালে থকা হাজাৰ-বিজাৰৰ কাৰণেও তেওঁ থিয় দিব লাগিব।

সেই 'মূল্যবোধ-ভিত্তিক' আৰু, কৰ্ম-ভিত্তিক'ৰ মাজত যদি কিবা পাৰ্থক্য আছেও—এড়ালি চুলিৰ দৰেই—সি পৰিদৃশ্যমান নহয়। আমি যি 'বোধ-ভিত্তিক শিক্ষায়েই গ্ৰহণ নকৰোঁ—তাৰ সুফল আমাৰ সমগ্ৰ—সমাজখনে তথা সমগ্ৰ দেশখনে পাব লাগিব। নতুবা, সেই শিক্ষাৰ ফল ব্যৰ্থ বুলিয়েই অভিহিত হ'ব।

আহক, আমি এনেহেন শিক্ষাৰ দুৱাৰ উন্মুক্ত কৰোঁ।

বছৰ : ১৭   জুলাই ১৯৯২   সংখ্যা : ৪

বছৰেকীয়া বৰঙণি ৪৮'০০ টকা :: খনে ৪'০০ টকা

'মেগী স্কাই ব্লেজাৰ্চ' ডাকুৰ চেৰাই উৰা মাৰা।

'মেগী জিগ্‌ছ' পাজ্‌ল'-ৰে মেগীৰ ৰোমাঞ্চকৰ জগত জয় কৰা।

'মেগী এ'চ এডভেঞ্চাৰ' গেমত সাগৰৰ পৰা আকাশলৈ যোৱাৰ ৰোমাঞ্চ অনুভৱ কৰা।

'মেগী হু-ডান-ইট' ৰহস্যময় গেম

অকণ-অকণিহঁতৰ বাবে ৰোমাঞ্চক আকর্ষণ!

মেগী ক্লাবে বিনামূল্যে উপহাৰ বিলাইছে!

'মেগী ৰেইডাৰ্ছ অৰ দা ৰে'ড ষ্টাৰ' গেমত অজান মুলুকৰ ধূৰ্ত সকলৰ লগত সমানে যুঁজ মাৰা।

অকণ অকণিহঁত আহাঁ! মেগী ক্লাবত যোগ দিয়া আৰু প্ৰৱেশ কৰা মেগীৰ ৰোমাঞ্চক জগতখনত!

তোমালোকে কেৱল এই চিহ্নটো মেগী নুডলছৰ ৫ টকৰ খালি পেকেটৰ সমুখ ফালৰ পৰা কাটি উলিওৱা আৰু নিজৰ পছন্দৰ প্ৰতিটো বিনামূলীয়া উপহাৰ পাবৰ বাবে আমালৈ পঠাই দিয়া। তোমালোকে ৬-৮ সপ্তাহৰ ভিতৰতে মেগী ক্লাবৰ পৰা পাবা মনোমোহা উপহাৰ। কি উপহাৰ লাগে সেই কথাৰ লগতে নিজৰ নাম, ঠিকনা আৰু জন্মৰ তাৰিখ জনাবলৈ নাপাহৰিবা। তোমালোকৰ মাজৰ মেগী ক্লাব সদস্য সকলে সদস্য নম্বৰো জনাবা। এতিয়াও সদস্য নোহোৱা সকলে এইটো সুযোগ নেহেৰুৱাবা। ওপৰত উল্লেখ কৰা মতে বিতং বিৱৰণবোৰ পঠাওতে সদস্যতা কাৰ্ড বিচাৰি লিখিবা।
আমি উপহাৰৰ লগতে বিনামূলীয়াকৈ মেগী ক্লাব সদস্যতা কাৰ্ড পঠাই দিম!

আমাৰ ঠিকনা:

MAGGI CLUB
P.O. Box 5788 New Delhi-110 055

বিনামূল্যে মেগী 'ৱৰ্ল্ড অৱ এনিমেলছ' কুইজ পুস্তিকা! তোমালোকে গোটোৱা প্ৰতি ২ টকীয়া উপহাৰৰ বাবদ পাবা মেগী 'ৱৰ্ল্ড অৱ এনিমেলছ' কুইজ পুস্তিকা — বিনামূল্যে।

আৰু এটা কথা! তোমালোকে যদি মেগী বাৰ্ডহাউছ এতিয়াও গোটোৱা নাই তেনেহলে এতিয়া গোটোৱা।

HTA 7778ASS

পৃথিৱীৰ খিৰিকীৰে

স্ব র্গ ৰ আ হি

ইংল্যাণ্ডৰ ৰাণী এতিয়া আৰু মৰিছাছ দ্বীপৰ প্ৰধান হৈ থকা নাই। যোৱা ১২ মাৰ্চৰ দিনা মৰিছাছে বৃটিছ শাসন-ব্যৱস্থাক বিদায় কৰি গণতান্ত্ৰিক শাসন-

ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা হ'ল। এতিয়াৰ মৰিছাছ, ভাৰতৰ দৰেই, বৃটিছ-কমনওৱেলথৰ সদস্য-দেশ।

এতিয়াৰপৰা ঠিক ২৪ বছৰৰ আগতে, ১৯৬৮ চনৰ ১২ মাৰ্চৰ দিনা, মৰিছাছ বৃটিছ-শাসনৰপৰা মুক্ত হৈ স্বতন্ত্ৰতা লাভ কৰিছিল আৰু ইংল্যাণ্ডৰ ৰাণীৰ ফালৰপৰা এগৰাকী বৃটিছ প্ৰতিনিধি গাভাৰ্নাৰ (গৱৰ্ণৰ) জেনাৰ্যালৰূপে নিযুক্ত হৈছিল। তেতিয়া, জাতিৰ জনকৰূপী শিউসাগৰ ৰামগুলাম মৰিছাছৰ প্ৰথম গৰাকী প্ৰধানমন্ত্ৰী হিচাপে নিযুক্ত হৈছিল। ১৯৮২ চনত প্ৰধানমন্ত্ৰী-ৰূপে অনিৰুদ্ধ জগন্নাথে মৰিছাছক পূৰ্ণ গণতান্ত্ৰিক ৰাষ্ট্ৰ কৰিবলৈ প্ৰতিজ্ঞা কৰিছিল।

১৯৮৩ চনত সৰ্বপ্ৰথমে বৃটিছৰ সলনি মৰিছাছীয়

গাভাৰ্নাৰ জেনাৰ্যাল হ'ল। তেওঁ আছিল স্যাৰ শিউসাগৰ। ১৯৮৫ চনত তেওঁৰ মৃত্যু হোৱাত স্যাৰ বীৰাস্বামী ৰিংগডুক গাভাৰ্নাৰ জেনাৰ্যাল পতা হ'ল। ১৯৮৭ চনৰ নিৰ্বাচনৰ পাছত শ্ৰীজগন্নাথ কোৱালিশ্যন মন্ত্ৰিসভাৰ প্ৰধানমন্ত্ৰী হ'ল আৰু স্যাৰ বীৰাস্বামীক ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত কৰা হ'ল। নতুন মৰিছাছৰ গণতান্ত্ৰিক ব্যৱস্থা ভাৰতৰ অনুৰূপ কৰা হ'ব বুলি স্থিৰ কৰা হৈছে, যদিও তাত কেৱল লোকসভাহে থাকিব, ৰাজ্যসভা নাথাকিব।

১৮৬৫ বৰ্গ-কিল'মিটাৰলৈকে বিয়পা বিশাল

মৰিছাছ দ্বীপ, ভাৰত মহাসাগৰৰ আফ্ৰিকাৰ তটৰ ওচৰত ৫৮৭,০০ বৰ্গ-কিল'মিটাৰব্যাপী দ্বীপ ম্যাডাগাস্কাৰৰ পূব দিশত অৱস্থিত। কোৱা হয় যে—১০ম শতিকাত আৰব নাবিকসকল পোন প্ৰথমে মৰিছাছলৈ আহিছিল। তাৰ ছয় শতিকাৰ অন্তত পটুৰ্গিজ আৰু ষোড়শ শতিকাত ডাচ্চ মৰিছাছলৈ আহিছিল। এশ বছৰৰ অন্তত ডাচ্চ সকলে মৰিছাছ এৰি গুচি যোৱাৰ পাছত মৰিছাছ ফৰাছিৰ হাতলৈ গ'ল আৰু ১৮১০ চনত বৃটিছে দখল ল'লে। সেই তেতিয়াৰেপৰা পূৰ্ণ স্বাধীনতা নোপোৱালৈকে বৃটিছে মৰিছাছ দখল কৰি আছিল।

এই দ্বীপৰ জনসংখ্যা আছিল প্ৰায় ১১ লাখ। জনসংখ্যাৰ ৬৮ ভাগ হ'ল ভাৰতীয় বংশোদ্ভৱ। এই দ্বীপত ইংৰাজি আৰু ফৰাছি ভাষা প্ৰচলিত। লগতে—তামিল হিন্দী, গুজৰাতী, উৰ্দু আৰু ভোজপুৰী-ভাষী লোকও যথেষ্ট আছে। মৰিছাছ দ্বীপ সৰু সৰু দ্বীপমালা পৰিবেষ্টিত। প্ৰতিখন দ্বীপত শিৱ, গণেশ আৰু সুব্ৰহ্মণ্যেশ্বৰ দেৱতাৰ মন্দিৰসমূহ পৰিলক্ষিত হয়। প্ৰতি বছৰ 'তৈপুসংকাবডি' আৰু 'চিত্তিৰৈকাবডি' নামৰ উৎসৱ মংগলবাদ্যৰে সৈতে মহা ধুমধামেৰে পালন কৰা হয়। তদুপৰি—মহাশিৱৰাত্ৰি, ফাকুৱা (হোলি) দীপাৱলী আদি পালন কৰা হয়।

পৰ্য্যটকে এই দ্বীপক 'ভাৰত মহাসাগৰৰ মুকুতামালা' বুলি অভিহিত কৰে। এই সেউজৰ সমাৰোহময় দ্বীপ ফুলে ফুলে সদায় জাতিষ্কাৰ হৈ থাকে। বিখ্যাত মাৰ্কিন-ঔপন্যাসিক মাৰ্ক টোৱেনে (১৮৩৬-১৯১০) এই সুৰম্য দ্বীপৰ অদ্ভুত প্ৰাকৃতিক শোভালৈ চাই মন্তব্য কৰিছিল ঃ ঈশ্বৰে মৰিছাছ চাইহে স্বৰ্গৰ সৃষ্টি কৰিছিল।'





প্ৰেমৰ ভোজ

সীতাপুৰত শান্তশীল নামৰ এজন বেপাৰী আছিল। তেওঁৰ আছিল এটি ল'ৰা আৰু এজনী ছোৱালী। ল'ৰাটিৰ নাম সুশীল আৰু ছোৱালীজনীৰ নাম ভামিনী।

সুশীল যেতিয়া চেমনীয়া শুচি যুৱক হ'ল, তেতিয়া সি তাৰ দেউতাকক তেওঁৰ প্ৰতিটো কামতে সহায় কৰিছিল।

সুশীল সকলো ফালৰেপৰাই যোগ্য হৈ উঠিল, আৰু কিছুদিনৰ অন্তত সুশীলৰ বিয়াৰ চিন্তা-চৰ্চাও চলি থাকিল।

এদিন শান্তশীলক তেওঁৰ পৰিবাৰ মানিনীয়ে ক'লে, "সুশীলৰ বিয়াখন সোনকালে পাতিলেই ভাল। ৰামপুৰৰ ঠাকুৰহঁতে খবৰ পঠালে যে—তেওঁলোকে যৌতুক হিচাপে এক লাখ টকা দিব।"

শান্তশীলে মিচিকীয়াই হাঁহি মাৰি ক'লে, "সুশীলৰ বাবে নতুন মিতিৰ আমি ক'তনো পাম? সুদৰ্শনৰ ছোৱালীজনীৰ—সুলোচনাৰ বয়স ওঠৰ কিজানি পাৰ হ'লেই। কি কোৱা?"

গিৰিয়েকৰ কথা শুনিয়েই মানিনীৰ মুখ ক'লা পৰিল।

পোন্ধৰ বছৰৰ আগতে সুদৰ্শনৰপৰা মূলধন লৈয়েইহে—শান্তশীলে বেপাৰত ধৰিছিল। তেতিয়া শান্তশীলৰ পৰিয়াল-খনক ক'বলৈ গ'লে সুদৰ্শনেই ৰক্ষা কৰিছিল অনাহাৰৰপৰা। আৰু ধনখিনি দিওঁতে সুদৰ্শনে শান্তশীলক কৈছিল: এই ধন ধাৰৰ নহয়, মৰমৰ বুলিহে ল'বা।

সিদিনাৰ সেই কথাৰ উত্তৰত শান্তশীলে কৈছিল, "তেনেহ'লে ময়ো কথা এটা কওঁ, তোমাৰ ছোৱালীজনী যেতিয়া

সৰস্বতী শৰ্মা



ভাঙৰ হ'ব—আমি বোৱাৰী কৰি লৈ যাম, অৱশ্যে—তোমালোক যদি মত দিয়া।"

কিন্তু পোন্ধৰ বছৰৰ পাছত সময়ৰ সলনি হ'ল, আৰু সিদিনাৰ সুদৰ্শন এতিয়া ছুৱীয়াৰো ছুৱীয়া হ'ল।

গতিকে—মানিনীয়ে কিয়নো লাখ-টকীয়া যৌতুক এৰি খাব-জীৱৰ লখ নোহোৱাইঁতৰ সৈতে মিতিৰ পাতিব ?

গতিকে—মানিনীয়ে গিৰিয়েকক ক'লে, "বিয়া বোলা কথা। যিকোনো এজনীক ধৰি আনি গাঁঠি দিলেই হ'বনে ? আমাৰ ল'ৰাৰো তো পছন্দ-অপছন্দ আছে। "

"তাৰ যদি পছন্দ নহয়—এই বিয়াৰ প্ৰশ্নয়েই নুঠে। যদি কথা তেনেকুৱাই হয়—মই নিজেই ধুমধামৰে সৈতে সুলোচনাৰ বিয়া আন ক'ৰবাত পাতি দিম। তাইৰ নিচিনা ছোৱালীৰ কাৰণে দৰাৰ অভাৱ নহ'ব।" শান্তশীলে ক'লে।

পাছদিনাই সুলোচনাক চাবলৈ পুতেকক লগত লৈ শান্তশীল ওলাল। সুলোচনাক চাই সুশীলে ভালেই পালে।

তাৰ পাছত—মানিনীৰ আৰু লগতে ভামিনীৰও আপত্তি সত্বেও এইখন বিয়া হ'ল, সুলোচনা বোৱাৰী হৈ আহিল।

ছমাহমান পাৰ হ'ল সুলোচনাৰ। পাৰ হ'ল—কিন্তু অকথনীয় কষ্টৰ মাজেদি। ইতিমধ্যে শহুৰদেউতা শান্তশীল সিফলীয়া হ'ল। সংসাৰত সুশীলৰ দায়-দায়িত্ব বহুগুণে বাঢ়িল। সুশীলক এতিয়া আৰু কোনেও প্ৰায় ঘৰতেই নোপোৱা হ'ল। আৰু এই সুযোগ পাই ননন্দেকে সুলোচনাক জোখে-জোখাৰে শুটনি দিয়া হ'ল। বোৱাৰী কেনেকৈ বাব লাগে শাহুৱেকে শিকাই দিয়া হ'ল।

শাহুৱেকে দিনে-নিশাই বোৱাৰীক থেকেচিবলৈ ধৰিলে, ইকথা-সিকথা-অকথা কুকথাৰে দিনে-নিশাই মুখ ফালি তীখা দিবলৈ ধৰিলে।

শাহুৱেকে ঠেহেৰা মাৰি বোৱাৰীৰেক

সুলোচনাক কয় : লাখটকীয়া ছোৱালী নানি—লাই-পোৰ কাৰণে বাছি-বিচাৰি আনিলোঁ লাগি ধৰা মাগি খোৱাৰ বেটী লাই-জাল বোৱা এজনীক। —চেঃ! আমাৰো যে কপাল!

"ঘৰত ভৰি দিয়েই আমাৰ ইমান ধুনীয়া ঘৰখনক তাই বাঁহতল কৰিব পেলালে! আমি কেতিয়াবাই ঔকাই-দেউৰ খেৰ-শনী হ'লোঁ, এওঁ ভাৰ্যা এতিয়া গলৰ মণি হ'ল!" ভামিনীয়ে সুলোচনাৰ নাক সৰা কাঁচি দি কাটিবলৈ বিচাৰিলে।

বিয়া হৈ অহাৰেপৰাই ঘৰৰ সকলো কাম সুলোচনাৰ ওপৰত পৰিছিল। শাহু-আয়েকে ঘৰখনৰ হীৰিণ কুটাও তীৰিণ নকৰাকৈ মনৰ আখেজ পূৰাবলৈ ধৰিলে। ননন্দেক ভামিনীয়ে আনকি সিজা শাকতো লোণ নিদিয়ে। কিবা এটা লাগিলে তাই ওপৰ মহলাত বহি তালৈ বস্তুটো দি আহিবলৈ সুলোচনাক হুকুম দি পঠায়। কিন্তু এইবোৰ-এনেবোৰ অবিচাৰ অত্যাচাৰৰ কথা সুলোচনাই তাইৰ গিৰিয়েকক নকয়।

এদিন সুলোচনাৰ অত্যন্ত জ্বৰ উঠিল, আৰু লগে লগে তাইৰ শাহুৱেক-ননন্দেকে বহু দূৰণিৰটীয়া মন্দিৰলৈ পূজা আগ কৰিবলৈ যোৱাৰ যো-জা কৰি থাকিল। ৰাতি শোৱাৰ আগতে জ্বৰত হেঁপাই-কোঁপাই থকা বোৱাৰীয়েক সুলোচনাক

শাহুৱেক মানিনীয়ে ক'লেহি, "আমি পূজা দিবলৈ যাম যে শুনিছাই। ইমান দূৰৰ বাট, ঘূৰোঁতে ৰাতি হ'ব। গতিকে— আমি দুপৰীয়াৰ পৰতে খাব পৰাকৈ একদম উপজিপুৱাতে উঠি আমাক জোখে-জোখাৰে পায়স ৰান্ধি দিবা।"

উপজি পুৱাতে সুলোচনা উঠিল, কিন্তু তাই মূৰ ঘূৰাই মজিয়াত বাগৰি পৰিল। তেতিয়া গিৰিয়েক সুশীলে সুলোচনাৰপৰা সকলো কথা খৰচি মাৰি জানি ল'লে আৰু সুলোচনাক বিছনাত শোৱাই থৈ নিজেই পায়স ৰান্ধিলেগৈ। সুশীলে ৰন্ধা সেই পায়সকে মাক-জীয়েকে টোপোলাত ৰান্ধি লৈ মন্দিৰলৈ গ'ল পূজা দিবলৈ।

ৰাতি ভালেখিনিমান হ'ল, আৰু তেতিয়া ঘৰৰ দুৱাৰত খটখটনি উঠিল। সুলোচনাই জ্বৰৰ গাৰে দুৱাৰ খুলি দিলে।

সোমায়েই ভামিনীয়ে ক'লে, "নবৌ, তুমি আমাক যি পায়স ৰান্ধি দিছিলা, আমি কুকুৰবোৰকহে খুৱালোঁ।"

"চেঃ চেঃ! কিনো পায়স ৰান্ধিছিলা যে—এচিকুট চেনিও নিদিলা? তুমি আমাক ভোকত মাৰিবলৈ জানি-বুজিহে এই কাম কৰিলা। কোৱা, হয়নে নহয়-কোৱা।" জ্বৰৰ দাহত কঁপি থকা সুলোচনাক ভাবি মাৰি মানিনীয়ে ক'লে।

ঠিক তেতিয়াই সুশীল ঘৰলৈ আহিল। সুশীলে কৈ উঠিল, "মা, কথানো কি? তোমাৰ খং বেমাৰী বোৱাৰীৰ ওপৰত জাৰিছানে কি? —কিয়নো তোমালোকে খং শিঙা বজাইছা?"

"খং শিঙা আমি বজোৱা নাই, তাইহে বজাইছে। তায়েই আমাৰ খং তোলাই লৈছে। নহ'লেনো—পায়সত চেনি নিদিয়াকৈ ৰান্ধেনে?" মানিনীয়ে ক'লে।

"সেই পায়স তাই ৰন্ধা নাছিল, মইহে ৰান্ধিছিলোঁ। পায়সত চেনি নোহোৱা হ'লে যদি খোৱা নাযায়—ঘৰত মৰম-ভালপোৱা নোহোৱা হ'লেনো

কেনেকৈ ঘৰত থকা যায়? তাইক জ্বৰৰ গাৰে উপজি পুৱাতে উঠি তোমালোকৰ কাৰণে পায়স ৰান্ধিবলৈ কৈছিলানো কেনেকৈ, মা? তোমালোকক ভাল আৰু বেয়াৰ পাৰ্থক্য শিকাবলৈ মৰ্য়েই তেনেকৈ —মৰম নোহোৱা ঘৰৰ দৰেই—মিঠা নোহোৱা পায়স দিছিলোঁ। তোমালোকে যদি মিলিজুলি মিলাপ্ৰীতিৰে এঠাইত থাকিব নোৱাৰা—কোৱা, আমি বেলেগ ঘৰ বেলেগ চৰু কৰি গুচি যাম।" সুশীলে তীক্ষ্ণভাবে মাকক ক'লে।

সুশীলহেন শান্তশিষ্ট ল'ৰাৰ মুখে এনে দৃঢ়তাব্যঞ্জক কথা শুনি মাক মানিনী আৰু ভনীয়েক ভামিনীৰ মুখত যেনিবা সৰগ পৰিল। সুশীলাৰ কথা শুনি ছুয়োজনীয়েই ঠৰ লাগিল।

তেতিয়া সুলোচনাই গিৰিয়েকক কৈ উঠিল, "এইবোৰ আপুনি কি কথাবোৰ কৈছেনো? মই জীয়াই থকালৈকে আমাৰ ঘৰখন যেনেকৈ আছে তেনেকৈয়েই থাকিব লাগিব। মই মৰাৰ পাছত যি মন যায় কৰিব, মই বাধা দিবলৈ নাহোঁ। বেলেগ ঘৰ বেলেগ চৰু কৰাতকৈ একে ঠাইত থাকি কাজিয়া কৰাও ভাল। সহস্ৰ গাঠিৰ তলত কত কি হয়—তাৰ কাৰণে কোনেও চোঁচনি-ফহতি নলয়। এনেবোৰ কথা কোৱা আৰু আত্মহত্যা একেই কথা।"

হঠাৎ মানিনীয়ে সুলোচনাজনীক বুকুত আঁকোৱালি ল'লে আৰু ক'লে, "মৰম-ভালপোৱা কাক বোলে—ইমান দিনেহে জানিলোঁ। আমাৰ চকু মুকলি হ'ল। বোৱাৰী, আমাৰ আগৰ কথা বাঘে খাওক, কাজিয়া-পেচাল তল যাওক। ৰ'লা —আজি আমি প্ৰেমৰ ভোজ পাতিম ব'লা। সেই ভোজত সুশীলৰো নিমন্ত্ৰণ থাকিল।" এই বুলি কৈ, মানিনী আৰু ভামিনীয়ে সুলোচনাক দুকালৰপৰা টানি টানি ঘৰৰ ভিতৰলৈ লৈ গ'ল।

নজনাৰ সুবিধা

চন্দ্ৰগিৰিৰ জমিদাৰ ডাঙৰীয়াক তেওঁৰ নিজৰ নাৱৰ কাৰণে নাওৱা লাগে। জমিদাৰ ডাঙৰীয়াই প্ৰতিদিন ডেৰ-দুইঘণ্টাকৈ নৈৰ বুকুত নাৱেৰে ভ্ৰমি ফুৰে, নৈখনো বৰ বহল আৰু বেগাল। পাহাৰৰপৰা বৈ অহা নৈ। ফেনে-ফোটোকাৰও হয়। গতিকে ভালৰো ভাল নাওচলোৱা নাওৱা লাগে।

গোমস্তাই ভালে কেইজনমান নাৱৰীয়াক পৰিক্ষা-নিৰীক্ষা কৰাৰ অন্তত প্ৰসাদ আৰু পৰমেশ নামৰ দুজনক জমিদাৰ ডাঙৰীয়াৰ ওচৰলৈ লৈ গ'ল আৰু ক'লে, "হজুৰ! এই প্ৰসাদ অতি পৈণত নাওৱা, লগতে সাঁতোৰতো সুদক্ষ। আৰু এই যে পৰমেশ—ইও নাৱৰীয়া হিচাপে একেদৰেই ভাল, কিন্তু সাঁতুৰিবহে নাজানে।"

জমিদাৰ ডাঙৰীয়াই দুয়োকো পাছদিনা আহিবলৈ ক'লে।

সিঁহত দুয়ো গুচি যোৱাৰ পাছত তেওঁ তেওঁৰ গোমস্তাক ক'লে, "কাইলৈ যেতিয়া দুয়ো আহিব—পৰমেশক কামত লোৱা হ'ল বুলি কৈ দিবা।"

গোমস্তাই আচৰিত হৈ সুধিলে, "মই—বুজা নাই হজুৰ! প্ৰসাদ হ'ল ভালৰো ভাল নাওৱা, লগতে সাঁতুৰিবও জনা। পৰমেশে সাঁতুৰিব মুঠেই নাজানে। তেনেস্থলত—প্ৰসাদক এৰি পৰমেশক কিয় ল'ব?"

জমিদাৰে হাঁহি মাৰি ক'লে, "পৰমেশে সাঁতুৰিব নজনাতহে চাকৰিটো তাক দিছোঁ।"

"সুবুজিলোঁ হজুৰ!" গোমস্তাই কওঁ-নকওঁকৈ ক'লে।

"কথা হ'ল—সাঁতুৰিব জনাই বিপদলৈ সিমান পৰোৱা নকৰিব, কিয়নো—নৈত বিপদত পৰিলে সি নাওৱাই নিজে সাঁতুৰি পাৰ পাব; কিন্তু সাঁতুৰিব নজনাই নিজৰ জীৱনৰ কথা ভাবি সদায় সাৱধানে নাও চলাব, আৰু তাৰে মোৰো সুবিধা ওলাব। এইবাৰ বুজিলানে বাৰু?"

"কথাটো মই এই ধৰণে ভবাই নাছিলোঁ হজুৰ, যে—নজনাৰো কিছু সুবিধা আছে!"

মায়া মহল

২

[বীৰগিৰি ৰাজ্যৰ ৰাজকুঁৱৰীৰ বছৰেকীয়া জন্মোৎসৱলৈ মাত্র তিনি দিন থাকোঁতে ৰাজকুঁৱৰী হঠাৎ অসুস্থ হৈ পৰাৰ বাতৰি পাই ৰাজ্যৰ সর্বশ্রেণীৰ প্রজায়েই বিমর্ষ হৈ পৰিল। ৰাজকুঁৱৰীৰ দেহত প্রায় কোনো ৰোগ-লক্ষণ নাই, কিন্তু তেওঁৰ গাত কিবা এক গ্রহদোষৰ সৃষ্টি হোৱা বুলি জ্যোতিষাচার্য্যই ৰাজকুঁৱৰীক অকলশৰে থাকিবলৈ ব্যৱস্থা কৰিবলৈ মহাৰাজলৈ পৰমর্শ আগবঢ়াইছিল, আৰু সেইহে মহাৰাজে ৰাজকুঁৱৰীক সাৰস সৰোবৰৰ সোঁমাজত থকা দ্বীপত থাকিবলৈ পঠাইছিল। তাত অর্থাৎ সাৰস সৰোবৰৰ দ্বীপত দুমাহমান থকাৰ পাছত এদিন তাৰপৰা অকস্মাৎ ৰাজকুঁৱৰী নোহোৱা হৈ পৰিল। আৰু তাৰ পাছত······]

আৰু এইদৰে আনৰ মুখে খবৰ শুনি শুনি চাওঁতে চাওঁতে বিছ দিন উকলিল।

একৈছ দিনৰ দিনা প্রধান জ্যোতিষী বাচস্পতিদেউ ৰাজ-দর্শনলৈ আহিল আৰু মহাৰাজে অতি আগ্রহৰে তেওঁক আদৰি আগবঢ়াই আনি আথেবেথে বহুৱালে। তথাপি বিষণ্ণ মহাৰাজ আৰু মহাৰাণীক জ্যোতিষাচার্য্যই মৃদুকৈ হাঁহিৰে ক'লে:

"আপোনালোক কালিলৈ দুপৰীয়াৰ আগতেই তালৈ যাওক, আৰু ৰাজকুঁৱৰীক চাই আহকগৈ। কিন্তু সূর্য্যাস্তৰ আগে আগে নিশ্চয়েই তাৰপৰা উভতি আহিব লাগিব যে—এই কথা নাপাহৰিব।"

"বিদ্যাৱতীক এৰি আমি এনেকৈ থকা তিনি সপ্তাহ হ'ল। এই দুখ অসহনীয়।" ৰাণীয়ে উদাস কণ্ঠেৰে ক'লে।

লোকে স্বচক্ষেই সকলো দেখা পাব আৰু সেই সম্পৰ্কে নিজে নিজেই সকলো সিদ্ধান্ত ল'ব পাৰিব।" এই বুলি কৈ, তেওঁ তাৰপৰা গুচি গ'ল।

তেতিয়াহে ৰাজ-দম্পতি এই কথা ভাবি আশ্বস্ত হ'ল যে—জ্যোতিষাচাৰ্য্যৰ গণনা তথা ব্যৱস্থা সুফলদায়ী হৈছে। তেওঁলোকে সেই দিনাই সাৰস সৰোবৰলৈ যাবলৈ প্ৰস্তুতি ল'লে।

ৰাজ-দম্পতি সেই সাৰস-সৰোবৰলৈ যাব—এই খবৰ পাই প্ৰজাবৰ্গ অতি সুশৃংখলভাবে ৰাজআলিৰ ছুয়ো কাষত থিয় হৈ ৰাজ-দম্পতি আৰু ৰাজকুঁৱৰীৰ সুস্বাস্থ্যৰ খবৰ ল'বলৈ ধৰিলে। মহাৰাজে মৃদুকৈ হাঁহিৰে সকলো প্ৰজাৰ সৰ্বপ্ৰকাৰৰ প্ৰশ্নৰ উত্তৰ দি দি গৈ থাকিল আৰু প্ৰজাবৰ্গয়ো আনন্দৰে উৎফুল্ল হৈ থাকিল।

সাৰস সৰোবৰৰ পাৰত ৰৈ থকা নাৱৰ নাৱৰীয়াই ৰাজ-দম্পতিক প্ৰণাম কৰিলে আৰু তাৰ পাছত কেৰল ৰজা আৰু ৰাণীক নাৱত উঠাই সৰোবৰৰ দ্বীপৰ জিৰণি-ঘৰলৈ বুলি নাও চলাই নাৱত উঠাই নাও এৰি দিলে।

জিৰণি-ঘৰৰ খটখটিত ৰৈ থকা বৃদ্ধা লিগিৰী তথা ৰাজকুঁৱৰীৰ একমাত্ৰ লগৰী কমলাই ৰজা-ৰাণীক সাষ্টাংগে প্ৰণাম

"কালিলৈ যাবাই নহয়, ৰাণী!" মহাৰাজে ৰাণীক সান্ত্বনা প্ৰদান কৰিলে আৰু জ্যোতিষাচাৰ্য্যক সুধিলে, "আচাৰ্য্য, বিদ্যাৰতীৰ গ্ৰহস্থিতিত কিবা পৰিৱৰ্তন সূচিত হ'লনে? এই বিষয়ে আপুনি আপোনাৰ মিত্ৰ জগৎপতিদেউৰ সৈতে আমাৰ বিদ্যাৰতীৰ সম্পৰ্কে কিবা কথা পাতিছিলনে?"

"হয়, মহাৰাজ! তেওঁ এই বিষয়ে মোৰ বিচাৰত একমত হৈছে। চল্লিছ দিনৰ অন্তত ৰাজকুঁৱৰীয়ে পুনৰ পূৰ্ব-স্বাস্থ্য ঘূৰাই পাব। এই কথাত চিন্তা কৰিবলগীয়া নাই। আৰু—কালিলৈ আপোনা-

কৰিলে আৰু ৰাজকুঁৱৰীৰ কক্ষলৈ তেওঁলোকক লৈ যাবলৈ ধৰিলে। ৰাজকুঁৱৰীয়ে তেওঁৰ মাতৃ-পিতৃক দেখা পোৱা মাত্রেই মিচিক-মাচাককৈ হাঁহি হাঁহি তেওঁলোকৰ পিনে দৌৰি আহিল আৰু দৌৰি আহিয়েই মাতৃৰ বুকুত সোমাই পৰিল। জীয়েকৰ মুখত হাঁহিৰ ঢৌ দেখি ৰাজদম্পতিৰ মনতো সুখৰ জোৱাৰ ঢৌৱাই উঠিল।

অলপ পাছত ৰাজকুঁৱৰীক হাতেৰে ধৰি লৈ মহাৰাণী সেই জিৰণি-ঘৰৰ উদ্যানলৈ গ'ল, মহাৰাজও লগে লগে গৈ থাকিল। উদ্যানত বহি তিনিও বহু সময়লৈকে বিভিন্ন ধৰণৰ কথা পাতি থাকিল।

তাৰ পাছত, বেলিয়ে যেতিয়া লাহ দিবৰ হ'ল তেতিয়া ৰাজ-দম্পতি তাৰপৰা পুত্রীক এৰি — বিষাদ মনেৰে পুনৰ ৰাজগৃহলৈ উভতি যাবলৈ খোজ ল'লে।

*

এইদৰে আৰু তিনি সপ্তাহ উকলিল, আৰু তিনি সপ্তাহৰ অন্তত জ্যোতিষাচাৰ্য্যৰ পৰামৰ্শমতে ৰাজ-দম্পতি পুনৰ এদিন জীয়েকক ভালকৈ চাই আহিবৰ মনেৰে সাৰস সৰোবৰলৈ বুলি ওলাল।

এইবাৰ স্বয়ং ৰাজকুঁৱৰীয়েই ৰাজ-দম্পতিলৈ তথা পিতৃ-মাতৃলৈ সাদৰ অভ্যৰ্থনাৰে অভিনন্দিত কৰিলে।

বিদ্যাৱতী এতিয়া পূৰ্ণ স্বাস্থ্যৱতী।

সেই কাৰণে এইবাৰ ৰজা-ৰাণীয়েও এই বিষয়ে অনাকাঙ্ক্ষিতভাবে বিদ্যাৰতীক একো নোসোধা হ'ল। তেওঁলোকে এইবাৰ একেবাৰে ঘৰতে থকাৰ দৰে গল্প কৰিলে, আৰু বেলিয়ে লাহ দিয়াৰ লগে লগে বিদায় ল'লে।

ৰাজ-দম্পতি অতি আনন্দিত। কিয়নো তেওঁলোকৰ অসুস্থ পুত্ৰীয়ে পুনৰ পূৰ্ণ স্বাস্থ্য ঘূৰাই পোৱা হৈছে। তথাপি—এই কথাটো ভাবিলেই মনত দুখে উক দি উঠে যে—এইদৰে দহ মাহলৈকে তাইক এৰি থাকিব লাগিব। আৰু—এই দুখ মনত লৈয়েই তেওঁলোক উলটিল।

তাৰ পাছত পুনৰ তিনিটা সপ্তাহ অতিক্ৰান্ত হ'ল। এইবাৰৰ সপ্তাহ তিনিটাক—কিয় ক'ব নোৱাৰে তেওঁলোকে—তিনি বছৰ পাৰ হোৱা যেন লাগিল। ইপিনে — প্ৰধান ৰাজ-জ্যোতিষাচাৰ্য্য বাচস্পতিৰো আৰু দেখা-দেখি নাই।

মহাৰাণীয়ে মহাৰাজক ক'লে, "আমাৰ বাচস্পতিদেউক নিমন্ত্ৰণ কৰা হয় যদি—কেনে দেখে ?"

"ওহোঁ. দেৱী, বিষয়টো সম্পূৰ্ণ বাচস্পতিদেউৰ সিদ্ধান্ত মতেই হোৱা আৱশ্যক। তেওঁৰ ওপৰত আমাৰ সিদ্ধান্ত জাপি দিয়াটো সঠিক কাৰ্য্য নহ'ব। আমাৰ ভালৰ কাৰণেহে আমি এই বিচ্ছিন্নতাক সহিব লাগিব। আৰু—আমাৰ বিশ্বস্ত লিগিৰীহঁতৰ মুখে আমি সদায়েই বিদ্যাৱতীৰ সম্বাদ পায়ো আছোঁ যে তাই ভালে-কুশলেই আছে। গতিকে—বাচস্পতিদেউৰ অহালৈ আৰু কেইবা-দিনো ধৰি বাট চোৱাটোৱেই উচিত হ'ব।" মহাৰাজে মহাৰাণীক কথাখিনি বহলাই বুজাই ক'লে।

সেই দিনাই সাঁজ লাগি ভগাৰ লগে লগে প্ৰধান জ্যোতিষাচাৰ্য্য বাচস্পতিদেউ ৰাজগৃহলৈ আহিল, আৰু তেওঁৰ লগ লাগি আহিল মহাচাৰ্য্য জগৎপতিদেউ। তেওঁ-

লোকক দেখা পায়েই মহাৰাজৰ হৃদয়ত আনন্দৰ নিজৰা বৈ আহিল আৰু তেওঁৰ অন্তৰত সহস্ৰপুষ্প ফুলি উঠিল।

জ্যোতিষাচাৰ্য্য দুগৰাকীক আথেবেথে বহুৱাই কুশল-বাতৰি সোধাৰ অন্তত আচাৰ্য্য বাচস্পতিয়ে মহাৰাজক ক'লে, "ৰাজন্! আপোনালোকে অৱশ্যেই কাইলৈ বোৱাৰীপুৱাতে ৰাজকুঁৱৰীক চাই আহিবগৈ। এই কথাৰ অন্যথা নকৰিব।"

মহাৰাজে দ্ৰুত চিন্তা কৰি থাকিল যে এনে খৰখেদা কিহলৈ।

মহাচাৰ্য্য জগৎপতিদেউৱে কৈ উঠিল, "কালিলৈ সূৰ্য্যোদয়ৰ আগতেই ৰাজকুঁৱৰীক চাই আহিবগৈ। এই কাম অতি অৱশ্যেই কৰিব লাগিব। কিয়নো—তাৰ তাৰ পাছত নবৈ দিনলৈ কোনো শুভ মুহূৰ্ত নাই। আৰু—অহা তিনি মাহ—ৰাজকুঁৱৰীৰ পক্ষেও কঠিন সময়। যদিও—ৰাজকুঁৱৰীৰ স্বাস্থ্যৰ কোনো হানি এই সময়ছোৱাত নহ'ব। তথাপি···।" মহাচাৰ্য্য জগৎপতিদেউৱে বৈ দিলে।

: কিয়? কালিলৈ বোৱাৰী-পুৱাতে কিয় যাব লাগিব? —এই কথাই মহাৰাজৰ মনত উজান-ভাটি লগাই দিলে। মহাচাৰ্য্যৰ অসম্পূৰ্ণ কথাৰে তেতিয়া তেওঁ মনেই নকৰা হ'ল। আৰু—কথাষাৰ তেনেকৈ অসমাপ্ত ৰাখিয়েই দুয়োগৰাকী জ্যোতিষাচাৰ্য্য এসময়ত গুচি গ'ল।





মহাৰাজ অন্তেষপুৰলৈ গ'ল। মহাৰাণীক কথাটো ক'লে তেওঁ। শুনি মহাৰাণীৰও ভ্ৰূকুঁযুৰি কোঁচ খাই পৰিল। মহাৰাণীয়ে মহাৰাজক সুধিলে "বোৰাৰী পুৰাতে কিয় ? সূৰ্য্যোদয়ৰ পাছত আমি যাব নোৱাৰিমনে ?"

"নহয়, নোৱাৰিম। কিয়নো—সেই সময়ছোৱা হ'ল অহা নবৈব দিনৰ মাজত একমাত্ৰ শুভ মূহূৰ্ত। সেই কাৰণেই তেওঁলোকে আমাৰ ভালৰ কাৰণেই এই ব্যৱস্থা দিলে।" মহাৰাজে মহাৰাণীক বুজাই ক'লে, "আৰু—তিনিমাহ ধৰি বিদ্যাৰতীৰ ওপৰত ক্লিষ্টদশা চলি থাকিব।"

"ক্লিষ্টদশা!" মহাৰাণীয়ে অবাক মানি সুধিলে, "এই বিষয়ে তেওঁলোকে ভাঙি-পাতি কিবা ক'লেনে ?" মহাৰাণীয়ে চিন্তিতভাৱে মহাৰাজক সুধিলে।

"নাই কোৱা। যি কি নহওক—ৰাত্ৰিৰ শেষ প্ৰহৰত আমি সাৰস সৰোবৰলৈ যাম আৰু বিদ্যাৰতীক চামগৈ। চাই অহাৰ পাছত জ্যোতিষাচাৰ্য্যদ্বয়ক মতাই অনাই সেই বিষয়ে—অৰ্থাৎ ক্লিষ্টদশাৰ বিষয়ে সুধিম যে—ক্লিষ্টদশা কালত আমাৰ বিদ্যাৰতীৰ কি অসুবিধা হ'ব।" মহাৰাজে মহাৰাণীক বুজাই ক'লে।

পাছদিনা ধলপুৱাতে সাৰস সৰোবৰৰ পাৰত স্বয়ং মহাৰাজ-মহাৰাণীক দেখা পাই ঘাটৈ ভেবা লাগিল। যি কি নহওক, সি ঘাটৰে ৰাজ-দম্পতিক নাৱেৰে সাৰস সৰোবৰৰ দ্বীপস্থ জিৰণি-ঘৰলৈ লৈ গ'ল আৰু তাত নমাই দিলে। তিমানতে পূবে ধলফাটি দিলেই। কিন্তু—ৰাজ-দম্পতিক অভ্যৰ্থনা কৰিবলৈ তাত কি ৰাজকঁৱৰী কি বৃদ্ধা লিগিৰী কমলা—কোনো এজনীও নাহিল। তেওঁলোক যে আজি এই ধলপুৱাতে ওলাবহি সেই কথা ইহঁতে জানিব কেনেকৈ—এই কথা ভাবি ভাবি ৰজা আৰু ৰাণী খটখটি বগাই ঘৰৰ ভিতৰলৈ গৈ থাকিল।

RAZI

তিমানতে বৃদ্ধা পৰিচাৰিকা কমলা তেওঁলোকৰ আগত উপস্থিত হ'লহি। তাই আচৰিত হৈ মহাৰাজক সুধিলে, "মহাৰাজ! আপোনালোকে খবৰ পালেইনে?"

"খবৰ— ? কি খবৰ? বিদ্যাৱতী ক'ত?" মহাৰাজে সুধিলে!

বৃদ্ধা কমলাৰ কণ্ঠস্বৰ ৰুদ্ধ হৈ আহিল আৰু তাই বিবৰ্ণ, হৈ পৰিল। কমলাই ৰুদ্ধ কণ্ঠেৰে ক'লে "মহাৰাণী···ৰাজকুঁৱৰীক ক'তো দেখা পোৱা নাই···ৰাতি নৌ পুৱাওঁতেই···।" কমলাই ধাৰৰ নল কঁপা দি ঠিৰ ঠিৰকৈ কঁপি থাকিল।

"কি কোৱা! ক'লৈনো যাব তাই? এই ঠাইৰ চাৰিওফালে পানী—আৰু পানী ···তুমি বাৰু সকলোতে বি চাৰিছিলানে তাইক?" মহাৰাজে তেওঁৰ অপাৰ বিস্ময়ক সংযত ৰাখি ক'লে।

মহাৰাণী ইমানেই স্তম্ভিত হৈছিল যে—তেওঁৰ মুখৰপৰা এটা শব্দও নোলাল।

"মহাৰাজ, মোৰ জীৱনকালত এনে ঘটনা কদাপি দেখাও নাছিলোঁ—শুনাও নাছিলোঁ। মই যেতিয়া টোপনিৰপৰা সাৰ পালোঁ—তেতিয়া মূৰটো শিলহেন গধুৰ যেন লাগিল। সেই অৱস্থাত মই ৰাজকুঁৱৰীক টোপনিৰপৰা জগাবলৈ তেওঁৰ কক্ষলৈ গ'লো, কিন্তু তেওঁৰ শয্যাত তেওঁক দেখা নাপাই পোনে পোনেই উদ্যানলৈ গ'লোঁ। তাতো ৰাজকুঁৱৰীক দেখা নাপাই—এই ঘৰ আৰু এই ঠাইৰ চুকে-কোণে বিচাৰিলোঁ। কিন্তু—"

"বিদ্যাৱতী! বিদ্যাৱতী!"

আৰ্তনাদ কৰি মহাৰাণী অচেতন হৈ তাতেই বাগৰি পৰিল।

মহাৰাজে নাৱৰীয়াক আদেশ কৰিলে, "তুমি তুৰন্তে আমাৰ সেনাপতিক মাতি আনাগৈ। তুমি বিজুলী গতিৰে যোৱা···। মুহূৰ্ততে এই তেওঁ পাবহি লাগিব বুলি ক'বা তেওঁক।···"

[আগলৈ

পাণ্ডিত্য আৰু জ্ঞান

প্ৰতিজ্ঞাত অটল বিক্ৰমাদিত্যই পুনৰ গাছৰপৰা মৃতদেহটো নমাই আনি কান্ধত পেলাই লৈ ঘোৰ আউসীৰ মাজনিশা শ্মশানমুৱা হোৱাত মৃতদেহত থকা বেতালে কৈ উঠিল, “হে ৰজা, তুমি যে কঠোৰ পৰিশ্ৰম কৰিছা সেই কথাত তো সন্দেহ নাই। কিন্তু তুমি প্ৰকৃততেই জ্ঞানীনে অজ্ঞান, পণ্ডিতনে পামৰ—তাৰ লেখ লোৱাটো মোৰ পক্ষে টান। যি কি নহওক—তুমি যি কথা সাৰো-সাৰ বুলি জানিছা, সেই কথা আন কোনোবাই হয়তো অসাৰ-অমূলক বুলি ভাবিব। দেৱ-দেৱীয়েও ভুল কৰে। মোৰ এই কথাৰ উদাহৰণস্বৰূপে তোমাক এগৰাকী জ্ঞানী আৰু এজন অজ্ঞানীৰ কাহিনী ক'ম।” এই বুলি কৈ, বেতালে তীৰ্থংকৰ আৰু তাৰ কথাৰ কাহিনী ক'বলৈ ধৰিলে ঃ

‘বেতাল-কথা’

বহু বহু কালৰ আগতে স্বৰ্ণদ্বীপ নামৰ নগৰ এখনত তাৰকেশ্বৰ নামৰ এগৰাকী ধনাঢ্য ব্যক্তি আছিল। কিন্তু ধনেই হৈ উঠিল তেওঁৰ অপায়-অশান্তিৰ উহ। এওঁৰ বেহা-বেপাৰ যিমান বাঢ়ে, আয়-উপাৰ্জনো তিমানেই বাঢ়ে, আৰু দোপে দোপে বাঢ়ে অশান্তি। আত্মীয়-স্বজন বন্ধু-বান্ধৱ চিনাকি আধাচিনাক যি আছে যিমান আছে— সকলোকে কেৱল টকা হে লাগে টকা— টকা বিনে সকলো উকা। পৰিবাৰেও কেৱল ইটো লাগে সিটো লাগে গহনা লাগে কৈ কাণে-নাকে খাই মাৰি তেওঁক বিতত কৰে—লাগে লাগে আৰু লাগে— সদা— সৰ্বক্ষণেই লাগে। কাম্য-বিনে গীত নাই, 'লাগে'বিনে কথা নাই। তাৰকেশ্বৰৰ ল'ৰাটোৰ তো কথাই নাই তাৰ চাৰিও-ফালেযতমানে দুষ্ট-বদমাছ বন্ধু-বান্ধৱ--আৰু সিহঁতবোৰৰ 'দাদাগিৰি' কৰি তাৰকেশ্বৰৰ পুত্ৰই 'পৰৰ পাই জ্বৰৰ গাৰে' ধোৱাখুলীয়াৰ দৰে টকা উৰায়।

এইবোৰ-এনেবোৰ কথাত তাৰকেশ্বৰৰ মনত অশান্তিৰ গপগপীয়া জুই। ধনে মানুহক সুখ দিয়ে বুলিহে শুনিছিল, ধনে যে কেতিয়াবা খুলি খায়—সেই কথা বুজিবলৈ বাকী আছিল, জীৱনৰ এই ভাটি বয়সতহে বুজোঁ হ'ল।

তাৰকেশ্বৰৰ মনৰ যেতিয়া এনে অৱস্থা —তেনেতে এগৰাকী যোগী পুৰুষক তাৰকেশ্বৰে লগ পালে আৰু যোগীপুৰুষক তাৰকেশ্বৰে মনৰ কথা খুলি-মেলি কৈ, এই অশান্তিৰ জুইৰপৰা উদ্ধাৰ পাবলৈ উপায় খুজিলে।

যোগীপুৰুষে তাৰকেশ্বৰক ক'লে, "বৎস! ইয়াৰপৰা ঠিক এশ ক্ৰোশ দূৰৈত বিন্ধ্যাপৰ্বতৰ নামনিত দেৱনন্দনা নামৰ এক বিৰাট সৰোবৰৰ পাৰত আছে দেৱনন্দিনী দেৱীৰ মন্দিৰ। এই দেৱনন্দিনী দেৱীৰ দৰ্শন লাভ কৰিব পাৰা যদি—তোমাৰ মনৰ সকলো অশান্তি গুচি মনত শান্তিৰ জুৰ

বা বলিব। কিন্তু মনত ৰাখিবা, কেৱল প্ৰকৃত জ্ঞানী আৰু পৰিত্ৰচিত্ত লোককহে দেৱনন্দিনীদেৱীয়ে দৰ্শন দিয়ে আৰু লাগিলে সহায় কৰে।"

যোগীপুৰুষৰ কথা মতে পাছদিনাই তাৰকেশ্বৰ দেৱনন্দিনী-মন্দিৰলৈ বুলি ওলাল বহু-বহুতো আশা মনত লৈ।

একেৰাহে কেইবাদিনো ধৰি গৈ গৈ— এদিন বাটত তীৰ্থংকৰ নামৰ এগৰাকী পণ্ডিত ব্যক্তিক লগ পালে তাৰকেশ্বৰে। তাৰকেশ্বৰে যেতিয়া জানিলে যে পণ্ডিত তীৰ্থংকৰও বিন্ধ্যপৰ্বতলৈকে যাব, তেতিয়া এই কথা ভাবি ভাল পালে যে যোৱা বাটতে তীৰ্থংকৰৰপৰা জ্ঞান লভি হয়তো দেৱনন্দিনী দেৱীৰে দৰ্শন লাভ কৰাৰ যোগ্যতা অৰ্জিব পাৰিব।

এইদৰে, কেইদিনমান ধৰি দুয়ো একলগে গৈ থাকিল। এদিন তীৰ্থংকৰ পণ্ডিতে তাৰকেশ্বৰক সুধিলে, "তুমি বিন্ধ্যপৰ্বতৰ কাষলৈ যাবা বুলি কৈছা। পিছে—ঠিক ক'লৈ যাবা—সঠিককৈ কোৱা নাই দেখোন।"

তেতিয়া তাৰকেশ্বৰে নিজৰ কথা ভাঙি-পাতি ক'লে তীৰ্থংকৰক।

তেওঁৰ সা-সম্পত্তি, ধন-দৌলত, বিভিন্ন সমস্যা আদিৰ কথা কোৱাৰ অন্তত তাৰকেশ্বৰে তীৰ্থংকৰক ক'লে, "মই দেৱনন্দিনী দেৱীক দৰ্শন কৰি মনৰ শান্তি ঘূৰাই পাব খুজিছোঁ।"

"হয়নে বাৰু—?ময়ো সেই দেৱী-দৰ্শনলৈহে গৈ আছোঁ।" তীৰ্থংকৰে ক'লে।

শুনি কিছু অবাক মানি তাৰকেশ্বৰে তীৰ্থংকৰক সুধিলে, "আপুনি হ'ল এগৰাকী মহান পণ্ডিত, আপোনাৰো কিবা সমস্যা আছেনে বাৰু—?"

তীৰ্থংকৰ-পণ্ডিতে বিমৰিষ মাতেৰে ক'লে, "মোৰ পিতৃদেৱো মহান পণ্ডিত আৰু ময়ো বহুতো শাস্ত্ৰ অধ্যয়ন কৰিলোঁ। মোৰ পাণ্ডিত্যেৰে মই ভাতমুঠি

একেবাৰেই নুমাই গ'ল।

তাৰকেশ্বৰে তীৰ্থংকৰ পণ্ডিতক ক'লে, "বন্ধু, মই আৰু দেৱনন্দিনী দেৱীৰ দৰ্শনলৈ নাযাওঁ, মোৰ আৰু দেৱীদৰ্শনলৈ কোনো-বিধৰ প্ৰয়োজনেই নাই। মই ইয়াৰে-পৰাই পোনে পোনেই ঘৰমুৱা হ'ম।"

পণ্ডিত তীৰ্থংকৰে তাৰকেশ্বৰক ৰখাই ক'লে, "মিত্ৰ, ইমান দূৰলৈ আহিও দেৱীৰ দৰ্শন নকৰাকৈ উভতি যোৱা ভাল নহ'ব। তুমি কিয় উভতি যাবা বুলি কৈছা—মই নোসোধো তোমাক। পিছে--দেৱীৰ ইমান ওচৰলৈ আহিও দেৱীদৰ্শন নকৰাৰ অৰ্থ নাই। গতিকে—কিছু সময় ৰৈ যোৱা, ব'লা, দেৱীদৰ্শন কৰি দুয়ো একেলগেই ঘৰলৈ উভতিম।"

তীৰ্থংকৰ পণ্ডিতৰ কথা তাৰকেশ্বৰে অনিচ্ছাৰে হ'লেও মানি ল'লে, আৰু দেৱী-দৰ্শনলৈ আগবাঢ়িলে।

মন্দিৰৰ অৱস্থা জহা-খহা। কিন্তু মন্দিৰৰ গাত থকা ফলি এখনত এই কথা উজলি আছে:

কেৱল জ্ঞানী লোকসকলেহে দেৱী দেৱনন্দিনীৰ দৰ্শন পাব, অজ্ঞানীসকলে দেৱীৰ দৰ্শন নাপায়।

এই লিপি পাঠ কৰাৰ অন্তত মন্দিৰৰ নিকটস্থ সৰোবৰৰ ফটিক পানীত স্নান

আৰ্জিছোঁ হয়, কিন্তু মোৰ ইচ্ছাৰ—কামনা-বাসনাৰ পূৰণ নহ'ল। থকা-মেলাৰ কাৰণে অট্টালিকা, পুত্ৰী-পৰিবাৰৰ বাবে আ-অলংকাৰ, বহুমূল্য সাজ-পাৰ, প্ৰকৃত আৰাম-বিৰাম — এই জীৱনকালত একোৱেই নাপালোঁ মই। এই কাৰণে মোৰ মনত ঘোৰ অশান্তি। দেৱীনন্দিনী দেৱীৰ দৰ্শনলাভ কৰি বাসনা পূৰিব আৰু সকলো অশান্তি গুচিব বুলি শুনিছোঁ।"

তীৰ্থংকৰ পণ্ডিতৰ কথা শুনি তাৰকেশ্বৰ হতবাক হ'ল।

তাৰকেশ্বৰৰ মুখখন হঠাৎ কিছু শেঁতা পৰিল, বিন্ধ্যপৰ্বতলৈ যোৱাৰ উছাহ

সমাপন কৰি তীৰ্থংকৰ মন্দিৰৰ ভিতৰলৈ গ'ল। কিন্তু মন্দিৰৰ ভিতৰত কোনো দেৱী-প্ৰতিমা দেখা নাপাই হতাশ হ'ল। তেওঁ ভাবিলে: দেৱী-প্ৰতিমা হয়তো কালৰ প্ৰভাৱত মাটিৰ তলত প্ৰোথিত হ'ল বা কোনোবা দুষ্টমতিয়ে চুৰি কৰি লৈ গ'ল।

তিমানতে ফুলৰ মালা হাতত লৈ তাৰকেশ্বৰ তালৈ আহিল। তীৰ্থংকৰে হাঁহি মাৰি ক'লে, "কাকনো পিন্ধাবা ফুল-মালা? দেৱীৰ প্ৰতিমায়েই নাই ইয়াত।" তাৰকেশ্বৰে পণ্ডিত তীৰ্থংকৰক কৈ উঠিল, "তোমাৰ দৰে জ্ঞানশূন্যই কেনেকৈনো দেৱী-দৰ্শন লাভ কৰিবা?" এই বুলি কৈ আৰাধনা কৰি থাকিল তাৰকেশ্বৰে।

তীৰ্থংকৰ পণ্ডিতে উপহাসৰ হাঁহি মাৰি তুচ্ছতাৰে সৈতে ক'লে, "যি দেৱী-প্ৰতিমা ময়েই দেখা নাপালোঁ, তুমিনো কেনেকৈ দেখা পাবাহে?"

তাৰকেশ্বৰে তীৰ্থংকৰৰ কথাৰ উত্তৰ নিদিলে। তেওঁ তেওঁৰ হাতত থকা ফুলৰ মালা দেৱীমূৰ্তিৰ ডিঙিত পিন্ধাই দিলে।

ফুলৰ মালাধাৰ শূন্যতে ওলমি থকা দেখি তীৰ্থংকৰ পণ্ডিতে এই কথা বুজি পালে যে—দেৱীয়ে তেওঁক দেখা দিয়া



নাই, কিন্তু তাৰকেশ্বৰক দেৱী দেৱনন্দিনীয়ে তৎক্ষণাৎ দেখা দিলে!

তাৰ পাছত দুয়ো ঘৰমুৱা হ'ল। তাৰকেশ্বৰে তীৰ্থংকৰ পণ্ডিতক নিজৰ ঘৰলৈ লৈ গ'ল আৰু তীৰ্থংকৰক হীৰা-জহৰত ধন-সোণ প্ৰচুৰ পৰিমাণে দিয়াৰ পাছত ক'লে, "এয়া তোমাৰ বিদ্যাৰত্তাৰ প্ৰতি মোৰ সন্মান প্ৰদৰ্শনৰ প্ৰতীক হিচাপে গ্ৰহণ কৰিবা। এইখিনিৰে তোমাৰ কামনা-বাসনা পূৰাব পাৰা যদি—মই তৃপ্তি পাম।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰাজন! দেৱীৰো ভুল হয়নে? মোৰ এই প্ৰশ্নৰ

উত্তৰ জানিও সঠিকৈ নিদিয়া যদি—তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "আগতে তাৰকেশ্বৰে ভাবিছিল যে—তেওঁৰ সম্পদেই হ'ল তেওঁৰ মানসিক অশান্তিৰ মূল কাৰণ। কিন্তু পণ্ডিত তীৰ্থংকৰৰপৰা তেওঁৰ কামনা-বাসনাৰ কথা শুনি উপলব্ধি কৰিলে যে কথাটো তেনেকুৱা নহ'বও পাৰে, কিয়নো যি কাৰণে তেওঁৰ অশান্তি, সেই একেটা কাৰণেই প্ৰখ্যাত পণ্ডিত তীৰ্থংকৰৰ শান্তিৰ কাৰণ হ'ব। ধন-সম্পদৰ যি তাৰকেশ্বৰৰ হঠাৎ মত-পৰিৱৰ্তন হৈছিল কিয়? তাৰকেশ্বৰে পণ্ডিত তীৰ্থংকৰক জ্ঞানশূন্য বুলি কিয় কৈছিল? দেৱী দেৱনন্দিনীয়ে প্ৰকৃত জ্ঞানী পণ্ডিত তীৰ্থংকৰক দৰ্শন নিদিয়াকৈ অজ্ঞানী তাৰকেশ্বৰক কিয় দৰ্শনদান কৰিছিল? জঙ্ঘালৰপৰা তাৰকেশ্বৰ ওলাই আহিব খুজিছিল, সেই একেই ধন-সম্পদৰ জঞ্জালত পণ্ডিত তীৰ্থংকৰ সোমাই পৰিব খুজিছিল দেখিহে তাৰকেশ্বৰে তীৰ্থংকৰক জ্ঞানশূন্য বুলি কৈছিল। তাৰকেশ্বৰৰ দৰে সাধাৰণ মানুহ এজনে এই প্ৰকৃত ধৰ্ম-সূক্ষ্মতাৰ জ্ঞান আয়ত্ত কৰিব পৰা কাৰণেহে দেৱীয়ে তাৰকেশ্বৰক দৰ্শনদান কৰিছিল, কিন্তু পণ্ডিত তীৰ্থংকৰক দৰ্শন দিয়া নাছিল। তাৰকেশ্বৰ পণ্ডিত নহ'ব পাৰে, কিন্তু তীৰ্থংকৰতকৈ জ্ঞানী তথা উদাৰমনা বুলিয়েইহে প্ৰচুৰ পৰিমাণে ধন-ঐশ্বৰ্য হেলাৰঙে তীৰ্থংকৰ পণ্ডিতক দিব পাৰিছিল। জীৱনৰ প্ৰকৃত জ্ঞান বা উদাৰ-চিত্ততাৰ সৈতে শুষ্ক পাণ্ডিত্যৰ কোনো সম্পৰ্ক নাই।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

[এন. আৰ. নাগেশ-ৰচিত কাহিনী অৱলম্বনত]



মিছা-কাহিনী

বিশালপুৰৰ ৰজা গৰুড়সেনে হঠাৎ এদিন ভাবিলে: দেশৰ সৰ্বশ্ৰেষ্ঠ মিছলীয়াক পুৰস্কৃত কৰা আৱশ্যক। এই বিষয়ে যথোচিত ,পৰামৰ্শ কৰিবলৈ ভেওঁ তেওঁৰ বিদূষকক মতাই অনালে।

শুনি বিদূষকে ক'লে, "মহাৰাজ! তেনেহ'লে আহা মাহত এখন মিছা-প্ৰতিযোগিতা পতা যাওক। দেশৰ সকলো ঠাইৰপৰা নিছাতফুৰাইতক মতা হ'ব আৰু মিছামিছিমিছাকৈ পতা প্ৰতিযোগিতাত বিজয়ীজনক পুৰস্কৃত কৰাৰ উপৰিও 'মিছাৰ ডোম' উপাধিও প্ৰদান কৰা হ'ব।"

মহাৰাজ বিদূষকৰ কথাত সন্মত হ'ল।

বিদূষকে পুনৰ ক'লে, "মহাৰাজ, এই মিছা-প্ৰতিযোগিতাৰ আয়োজন সম্পূৰ্ণ কৰিবলৈ কমেও পাঁচহেজাৰ মুদ্ৰা দিবলৈ মহাৰাজে ধন-ভঁৰালীক আজ্ঞা দিয়কক।"

মহাৰাজে ধন-ভঁৰালীক পাঁচ হাজাৰ মুদ্ৰা দিবলৈ আদেশ দিলে।

চাওঁতে চাওঁতে মিছা-প্ৰতিযোগিতাৰ দিন চমু চাপিল। ·বিদূষকে মহাৰাজক ক'লে যে—পাছদিনা পুৱা চাৰে আঠ বজাত মহাৰাজে ৰাজকীয় ক্ৰীড়াংগণলৈ গৈ এই শুভ তথা অভিনৱ মিছা-ধৰণৰ প্ৰতিযোগিতাৰ উদ্বোধন কৰিব।

পাছদিনা মহাৰাজে সঠিক সময়ত ক্ৰীড়াংগণ পালেগৈ।

কিন্তু— কথা অতি আচৰিতেই— ক্ৰীড়াংগণত কোনো ধৰণৰ কোনো মিছা বা সঁচা প্ৰতিযোগিতাৰ উম-ঘাম পোৱা নগ'ল। আনকি তাত মিছা-প্ৰতিযোগী-ইঁতৰ বহাৰ বাবেও কোনো চকি-তকি

পৰিমল পাঠক

একোৱেই মহাৰাজে দেখা নাপালে।

মহাৰাজে ক্রীড়াংগণৰ একমাত্র প্রহৰীক সোধাত প্রহৰীয়ে মহাৰাজক ক'লে যে এনেকুৱা কোনো প্রতিযোগিতা ইয়াত পতাৰ কথা সি শুনা নাই।

তিমানতে বিদূষকো উপস্থিত হ'লহি। মহাৰাজ গৰুড়সেনে বিদূষকলৈ ক্রুদ্ধ দৃষ্টিৰে চাই বিদূষকক সুধিলে, "তুমি মিছা-প্রতিযোগিতাৰ বাবে কোনো আয়োজন কৰা নাই কিয়? ইয়ালৈ কোনো এজন মানুহো অহাই নাই দেখোন! মই এই বিষয়ে তোমাৰপৰা যথাযোগ্য কৈফিয়ৎ বিচাৰিছোঁ।"

বিদূষকে বিনম্রভাবে হাত যুৰি ক'লে, "ক্ষমা কৰিব, মহাৰাজ! আপুনি ঠিক কি ক'ব খুজিছে—তাকেহে মই বুজা নাই। আপুনি কিহৰ পত্তিযুগিতা বা আয়োজনৰ কথা কৈছে কওকচোন? কিহৰ বাবেনো ইয়ালৈ মানুহ আহিব লাগিছিল ক'বনে? আচলতে—আচল কথা যে কি — মই দেখোন তাৰ মাথা-মুণ্ড একেবাৰেই ঠাৱৰ কৰিব পৰা নাই!"

এতিয়াহে মহাৰাজে সকলো কথা-কাণ্ড ফটফটীয়াকৈ বুজি পালে। তেতিয়া হো হোকৰে হাঁহি হাঁহি মহাৰাজে ক'লে, "বাঃ! বঢ়িয়া! তাৰ মানে— মিছাৰ-প্রতিযোগিতা দেখিছোঁ সিঁচা পানীৰ সমান হ'ল—নৌ আৰম্ভ হওঁতেই খতম্ হ'ল! তাৰ মানে—তোমাৰ দৰে মিছাত ফুৰা জীৱনটো কৰিলেও পাত—পাবলৈ নহ'ব! সেইহে—এই মিছাৰপ্রতিযোগিতাতমিছা-মিছি মিছলীয়া মিছাত নমাইতক নামাতি তুমি মিছা কথাৰ ডোমে একমাথোন প্রতিযোগী হিচাপে ভাগ লৈছাহি, নহয়? ঠিক আছে, মই তোমাক দিয়া পাঁচ হেজাৰৰ উপৰি আৰু পাঁচ হেজাৰ পাবা।" এই বুলি কৈ মহাৰাজে মিছামিছিকৈ প্রতিশ্রুতি দিবি দূষকৰ শলাগ ল'লে।

ভাৰতৰ পশু-পক্ষী:

কুলি চৰাই

পক্ষীকুলৰ মাজত কুলি-চৰাই বা কোকিল-পক্ষীৰ মাতেই হ'ল আটাইতকৈ শুৱলা। কুলিৰ মধুৰ স্বৰক নশলগা ভাৰতীয় সাহিত্য পাবলৈ নাই। শ্ৰেষ্ঠ কবি, বা গায়ক-গায়িকাকো কুলি চৰাইৰ তথা কোকিলৰ সৈতে তুলনা কৰা হয়, 'কবি-কোকিল' 'কোকিল-কণ্ঠ বা কণ্ঠী' বুলি আদৰা হয়।

বসন্তঋতুৰ আগমনৰ লগে লগে আমনিতে শুনা যায় কোকিলৰ মধুৰ কণ্ঠ। কিন্তু শীত ঋতু আৰম্ভ হোৱাৰ লগে লগে ই স্তব্ধ হৈ পৰে আৰু উষ্ণ ঠাই বিচাৰি উৰে।

পুৰুষ কোকিলৰ গাৰ বৰণ কিচ্‌কিচ কৰে ক'লা। পুৰুষ কোকিলৰ ওঁঠৰ বৰণ হয় সেউজ-হালধীয়া আৰু চকুৰ চাৰিওকাষত টিকটিকীয়া ৰঙা ৰেখা পৰিলক্ষিত হয়। স্ত্ৰী-কোকিল সিমান ক'লা নহয়। স্ত্ৰী-কোকিলৰ গাত বগা বগা দাগ দেখা যায়।

কুলি চৰায়ে নিজে বাহ সাজিবলৈ ভাল নাপায়। বৰ এলাহ। সেই কাৰণে, কুলিয়ে কাউৰীৰ বাহত কণী দিয়ে কাউৰীৰ আৰু কুলিৰ কণী দেখাত হয় একেই বিধৰ। সেইদেখি, কণীৰপৰা যেতিয়া পোৱালি ওলায়, কুলিৰ পোৱালিকো কাউৰীয়ে খুৱায়, লালে-পালে।

কুলি ডাঙৰ ডাঙৰ গছৰ পাতৰ মাজত থাকি ভাল পায়। ফল আৰু কীট-পতংগ ইহঁতৰ খাদ্য।

বাঢ়তি কবি

আজিৰ দিনৰ পুস্তকপ্ৰেমীসকলৰ মাজত লেখক-লেখিকাৰ হস্তাক্ষৰ তথা স্বাক্ষৰৰ আকাংক্ষা পৰিলক্ষিত হয়, যদিও আমাৰ দেশত এনে আকাংক্ষা বৰ অধিককৈ পৰিলক্ষিত নহয়। কিন্তু পাশ্চাত্যদেশত এই আকাংক্ষা অতি ব্যাপক। যি কি নহওক, সম্প্ৰতি আমাৰ এক এঘাৰ বছৰীয়া উদীয়মান কবি আদিত্য দামোদৰনৰ ক্ষেত্ৰত পুস্তকপ্ৰেমীসকলে সেই আকাংক্ষা-আগ্ৰহ প্ৰদৰ্শন কৰা পৰিলক্ষিত হৈছে।

যোৱা ফেব্ৰুৱাৰি মাহত নতুন দিল্লীত বিশ্ব-পুস্তক-প্ৰদৰ্শনী পতা হৈছিল। সেই প্ৰদৰ্শনীৰ এক পুস্তক প্ৰকাশকৰ পুস্তকশালাত বহি মৃদু মৃদু হাঁহিৰে মুখ-খন উজ্জলাই পুস্তকৰ ওপৰত স্বাক্ষৰ কৰি থকা গ্ৰাহকসকলে দেখা পাইছিল। আদিত্যৰ কবিতা-পুথিখনৰ নাম 'ভাইব্ৰেশন' অৰ্থাৎ 'স্পন্দন'। ইংৰাজিত ৰচিত কবিতা-পুথি। সেই দিনাই 'ভাইব্ৰেশন'ৰ সমীক্ষা-সমালোচনাও বাতৰি-কাকতবোৰত ওলাইছিল আৰু পুস্তকপ্ৰেমীসকলে সেই সমীক্ষা-সমালোচনা পঢ়াৰ অন্তত এই চেমনীয়া কবিৰ হস্তাক্ষৰৰ বাবে লানি পাতি থিয় হৈছিলহি। অৱশ্যে—এই পুস্তকপ্ৰেমী তথা হস্তাক্ষৰকাৰীসকলৰ অধিকভাগেই আছিল বালক-বালিকা।

আদিত্যই তাৰ প্ৰায় আঠ বছৰ বয়সত এটি পত্ত লিখিছিল। তেতিয়া সি কবিতাৰ পাঠক। আদিত্যৰ পিতৃদেৱ বংগ আৰু অসমতো উচ্চ পদাধিকাৰী হিচাপে কাম কৰিছিল। তাত সাঁজ লাগি ভগাৰ লগে লগে আদিত্যই তাৰ দেউতাকৰ পঢ়াকোঠাত সোমাই কিতাপ-পত্ৰ পঢ়ে। পঢ়ি পঢ়ি কবিতাৰ পুথিলৈহে তাৰ আকৰ্ষণ বাঢ়িল। সি তেতিয়াই সকলো কবিতা বুজি নাপাইছিল। কিন্তু তথাপি দোপে দোপে কবিতালৈ আকৰ্ষণ বাঢ়িছিল, সুবুজাখিনি পাছত মাক-দেউতাকৰপৰা খৰচি মাৰি জানি লৈছিল।

প্ৰাকৃতিক সৌন্দৰ্যাৰে ভৰপূৰ পূৰ্বাঞ্চল পৰিত্যাগ কৰি অহাৰ পাছত—আদিত্যই কলিকতা, দিল্লী আদি মহানগৰত আছিল। এইবোৰ মহা-নগৰত ধনৰ দম্ভৰ কাষতে দাৰিদ্ৰ্যৰ কৰাঘাত দেখি সি বিচলিত বোধ কৰিছিল। আৰু এইদৰেই তাৰ মাজত — আদিত্যৰ অন্তৰত—শব্দ গুঁঠি গুঁঠি কবিতাই জন্ম লৈছিল। তাৰ মনৰ বেদনাবোৰ কবিতালৈ ৰূপান্তৰিত হৈ পৰিছিল।

আদিত্যই তাৰ স্কুলীয়া বছৰেকীয়া পৰীক্ষালৈ বাট চাই আছে। পৰীক্ষাৰ পঢ়া তথা পৰীক্ষা দিয়াৰ কামটি সুকলমে শেষ কৰিয়েই হেনো সি আকৌ তাৰ কবিতা ৰচাৰ তথা দ্বিতীয়খন কবিতাপুথি লিখি উলিওৱাৰ কামত লাগি যাব।

আদিত্যৰ জীৱনৰ লক্ষ্য কম্পিউটাৰ এনজিনিয়াৰ হোৱা। তাৰ বাবে অৱশ্যে দহ-পোন্ধৰ বছৰ লাগিব। ইতিমধ্যে এই চেমনীয়া কবিয়ে আমাক অনেক কবিতাৰ উপহাৰ আগ বঢ়াব বুলি আশা কৰিব পাৰি।

আমি জানোনে ?

১. সোণ হীৰা আদিৰ ওজনৰ পৰিমাপ কি ?
২. আটাইতকৈ পৰিদৃশ্যমান নক্ষত্ৰ (তৰা) কোনটো ?
৩. পৃথিৱীত কোনে পোন প্ৰথমে 'পেপাৰব্যাক' কিতাপ প্ৰকাশ কৰিছিল ?
৪. এই বছৰ সত্যজিত ৰায়ে—'অস্কাৰ' পুৰস্কাৰ লভিলে। এই পুৰস্কাৰৰ নাম 'অস্কাৰ হ'ল কিয় ?
৫. ২৫ বছৰীয়া উৎসৱক ইংৰাজি মতে 'ছিলভাৰ জুবিলি' বুলি কোৱা হয় 'পেপাৰ অ্যানিভাৰ্ছাৰি' কাক কয় ?
৬. শক সম্বং অনুসাৰে বছৰৰ প্ৰথম মাহ কোন মাহ ?
৭. ১৯২১ চনৰ আগতে টেবল টেনিছক কি নামেৰে অভিহিত কৰা হৈছিল ?
৮. ওপজাৰ দিনতে তেওঁ হাঁহিছিল বুলি এগৰাকী পাৰসিক পয়গম্বৰৰ সম্পৰ্কে কোৱা হয়। তেওঁনো কোন ?
৯. তেজৰ চাৰিটা গ্ৰুপ আছে। এ. বি. ও হ'ল যথাক্ৰমে তিনটা গ্ৰুপ। চতুৰ্থ গ্ৰুপটো কোনটো ?
১০. একেলগে তিনিখন দেশৰ ৰাষ্ট্ৰপতি কোন আৰু কেতিয়া আছিল ?
১১. জেব্ৰাৰ বিশেষ বৈশিষ্ট্য কি ?
১২. শনিগ্ৰহৰ কিমান চন্দ্ৰ আছে ?
১৩. মহাশূন্যৰপৰা আকাশখনক কেনে বৰণৰ দেখি ?
১৪. আগ্ৰা কোনে আৰু কেতিয়া স্থাপিত কৰিছিল ?
১৫. কেঁচুৰ কাণ আৰু চকু আছেনে ?

উত্তৰ

১. ক্যাৰাট।
২. জ্যেষ্ঠা।
৩. আস্তন ফিলিপ ৰিক্লুসম, ১৮৬৭ চনত।
৪. ১৯২৯ চনত যেতিয়া 'অস্কাৰ' পুৰস্কাৰ প্ৰৱৰ্তি হৈছিল, তেতিয়া এই পুৰস্কাৰ স্মাৰক (মেমেন্ট') হিচাপে এটি ক্ষুদ্ৰ মানৱমূৰ্তি বনোৱা হৈছিল। আমেৰিকান আকাদামী অভ্ মোছ্যান পিকচাৰ্সৰ এগৰাকী বিষয়াই মূৰ্তিটিক তেওঁৰ মোমায়েক অস্কাৰৰ দৰে কোৱাত—এই পুৰস্কাৰ 'অস্কাৰ' নামেৰে অভিহিত।
৫. প্ৰথম বাৰ্ষিক-উৎসৱক।
৬. চৈত্ৰ বা চ'ত মাহ।
৭. পিং-পং।
৮. জোৰাস্টৰ।
৯. এবী।
১০. ছাইমন বলিভাৰ। ১৯২৮ চনত তেওঁ বলিভিয়া, পেৰু আৰু কোলম্বিয়াৰ ৰাষ্ট্ৰপতি আছিল।
১১. কোনো দুটা জেব্ৰাৰ দাগ এবিধৰ নহয়।
১২ দহ।
১৩. বেঙুনীয়া।
১৪. ছিকন্দৰ লোদি, ১৫০৬ চনত।
১৫. নাই।

সম্বাদ-বি-সম্বাদ

ওখ দলং

সমগ্র পৃথিৱীত পৰিবহনৰ বাবে আটাইতকৈ ওখ ঠাইত দলং ক'ত আছে? এই প্ৰশ্নৰ উত্তৰ হ'ল— জম্মু আৰু কাশ্মীৰৰ লাদখ অঞ্চলস্থিত খৰদং লা (সাগৰতলীৰপৰা ১৮৫০৩ ফুট উচ্চতাত)—যাৰ নিৰ্মাণ 'হিমাংক প্ৰ'জেক্ট অভ্ বিকন্‌ছ'ৰ (ভাৰত চৰকাৰৰ পথ-পৰিবহন সংগঠন) অন্তৰ্গত। এই প্ৰ'জেক্টৰ চিফ এনজিনিয়াৰ ব্ৰিগেডিগাৰ বোম্বাট কেৰাৰ নাম গ্ৰিনেজ বুক অভ্ ৰেকৰ্ডছত গুৰুত্ব-সহকাৰে স্থান দিয়া হৈছে।

গছৰ গুৰি-কথা

মেক্সিকোৰ অ'কৃহাকা ৰাজ্যত ছাইপ্ৰেছ্ বৃক্ষৰ দৰে এক বিৰাট ওখ গছ আছে। উচ্চাৰণ কৰাৰ হাত কেইজনৰ হ'বকোৰ টান, তথাপি কওঁ—গছজোপাৰ নাম আহুয়ুহুয়ুট। বছৰি লাখ লাখ পৰ্যটক আহে এইজোপা গছ চাবলৈ। এইজোপা গছৰ বয়স ২০০০ বছৰতকৈয়ো অধিক। ইয়াক ৰক্ষাৰ কাৰণে চৰকাৰে ৫,০০,০০০ ডলাৰ ব্যয় কৰিব বুলি স্থিৰ কৰিছে। পঞ্চাছলাখ ডলাৰ আমাৰ প্ৰায় ১০ কোটি টকা!

সুদৃষ্টিৰ বাবে.....

সম্প্ৰতি এক নিৰীক্ষাৰ যোগে জনা গৈছে যে— অতি পাতল হালধীয়া বৰণৰ চচমাৰ কাঁচ – যিবোৰ শিশুৰ দৃষ্টিশক্তি কম—সিহঁতৰ সুদৃষ্টিৰ বাবে অতি উপযোগী। অক্সফ'ৰ্ড য়ুনিভাৰ্ছিটিৰ নিউৰো-ফিজিঅ'লজিৰ ড° জন স্টেইনে সাধাৰণ চচমা ব্যৱহাৰকাৰী ২০ জন বিদ্যাৰ্থীৰ ওপৰত এই পৰীক্ষা কৰি এই সিদ্ধান্তলৈ আহিছে।

অভিজ্ঞতাৰ দাম

ৰামশাস্ত্ৰীয়ে তাৰ দেউতাকৰ ওচৰত সৰ্বশাস্ত্ৰ অধ্যায়ন কৰিছিল। ৰামশাস্ত্ৰীয়ে কাব্য পাঠ কৰিব পাৰিব পৰিছিল, কাব্য ৰচিবও পাৰিছল। কিন্তু জ্যাতিষশাস্ত্ৰত তাৰ ৰাপ আছিল সৰাতোকৈ অধিক।

এদিন ৰামশাস্ত্ৰীৰ পিতৃদেৱ সত্যশাস্ত্ৰীয়ে ৰামশাস্ত্ৰীক ক'লে, "বোপা, জ্যোতিষশাস্ত্ৰ সম্পূৰ্ণভাৱে বিশ্বাসৰ ওপৰতহে প্ৰতিষ্ঠিত। এই শাস্ত্ৰৰ যোগে প্ৰকৃত ভৱিষ্যৎ কোৱাটো স্বয়ং ব্ৰহ্মাৰো অসাধ্য। এতেকে—কেৱল জ্যাতিষশাস্ত্ৰৰ ওপৰত নিৰ্ভৰ কৰি জীৱন আৰু জীৱিকা চলোৱাৰ পৰিকল্পনা কৰাটো সমীচীন নহ'ব। তাতকৈ কাব্য ৰচি পাণ্ডিত্য প্ৰদৰ্শন কৰি যশ-খ্যাতি অৰ্জাটো সহজ সুন্দৰ আৰু শোভন হ'ব। পিছে হয়—নিজৰ চখৰ পৰিতৃপ্তিৰ কাৰণে জ্যোতিষচৰ্চা কিছুদূৰলৈকে কৰাত দোষ নাই। কিন্তু জ্যাতিষচৰ্চা কৰি লোকৰপৰা পইচা কদাপি নল'বা।

কিন্তু পিতাকৰ কথাত ৰামশাস্ত্ৰী মুঠেই প্ৰভাৱিত নহ'ল।"

এবাৰ সিহঁতৰ গাঁৱৰে চাৰিজন মানুহৰ ভাগ্যগণনা কৰি ৰামশাস্ত্ৰীয়ে ক'লে যে তেওঁলোকৰ বাৰীত থকা পুখুৰী এটাৰ পাৰত এজোপা বেলগছৰ তলত সোণৰ মুদ্ৰাৰে ঠাহ খোৱা কলহ পুতি থোৱা আছে। তেওঁলোকে তৎক্ষণাৎ ঠাইটুকুৰা খান্দিলে আৰু ৰামশাস্ত্ৰীয়ে কোৱা মতে সোণৰ মুদ্ৰাৰে ঠাহ খোৱা কলহ পালে।

এই কথাটো সকলোতে বনাগ্নিৰ দৰে বিয়পি পৰিল আৰু ভাগ্যগণনাৰ বাবে

ভবেন্দ্ৰনাথ ৰায়চৌধাৰী

দহোখন গাঁৱৰ ৰাইজ ৰামশাস্ত্ৰীৰ ওচৰলৈ দপলিয়াই আহিল।

চহৰৰপৰা সুবাস, বিনাশ নামৰ দুজন মানুহে ৰামশাস্ত্ৰীৰ ওচৰলৈ আহিল ভাগ্য গণনা কৰাবলৈ। সুবাস আছিল জমিদাৰ, আৰু বিনাশ আছিল এটা ভয়ংকৰ খুনী।

ইহঁত দুজনক অহা দেখি ৰামশাস্ত্ৰীৰ দেউতাকে ৰামশাস্ত্ৰীক ঘৰৰ ভিতৰলৈ মতাই অনাই ক'লে, "বোপা, এই দুজনক মই ভালকৈ চিনি পাওঁ। ইহঁত দুয়োজনেই অতি ভয়ংকৰ নিষ্ঠুৰ প্ৰকৃতিৰ। ইহঁতক ভালে ভালে বিদায় দিয়া, নহ'লে আগলৈ তোমাৰ বিপদ হ'ব পাৰে।"

কিন্তু দেউতাকৰ কথাত ৰামশাস্ত্ৰী বিতুষ্টহে হ'ল। মানুহ বেয়া বুলি জ্যোতিষকো বেয়া কৰি ক'বনে? যি কি নহওক, ৰামশাস্ত্ৰীয়ে দুয়োজনৰ কৰকোষ্ঠি অতি ভালকৈ বিচাৰ কৰি ক'লে, "আপোনালোকৰ ঘৰৰ পিছফালে বিষধৰ সাপৰ গাঁত আছে। গাঁতবোৰ খান্দি সাপবোৰক নেখেদিলে বিপদ হ'ব পাৰে।"

এই ঘটনাৰ এসপ্তাহৰ অন্তত ৰামশাস্ত্ৰীৰ দেউতাক চহৰলৈ গৈছিল আৰু উভতিও আহিছিল। তাত তেওঁ সুবাস আৰু বিনাশক দেখা পাইছিল। এজনৰ ঘৰৰ পিছফালত থকা গাঁত খান্দি দহলাখ মুদ্ৰাৰে ঠাহ খোৱা চাৰিটামান কলহ ওলাইছিল। সেইজনে ৰামশাস্ত্ৰীক



আধালাখ মুদ্ৰা পুৰস্কাৰ হিচাপে দিব বুলি শুনি আহিছিল তেওঁ। কিন্তু আনজনৰ ঘৰৰ পিছফালে থকা গাঁতবোৰ খান্দি বিশাল বিষাল সাপবোৰ ওলাইছিল। আৰু সেই বিশাল বিষাল সাপবোৰে সিহঁতৰ ঘৰৰ চাৰিজনক খুটি মাৰি পেলাইছিল। এই কাৰণে—বিনাশে ৰামশাস্ত্ৰীকো খুন কৰিব বুলি শুনি আহিছিল ৰামশাস্ত্ৰীৰ দেউতাকে।

কথাটো পুতেক ৰামশাস্ত্ৰীক তেওঁ ক'লে। তেওঁ তেওঁৰ পুতেকক ক'লে, "এতিয়া আৰু এইখন গাঁৱত থকা আমাৰ পক্ষে মুঠেই নিৰাপদ নহ'ব!"

কথাটো ৰামশাস্ত্ৰীয়েও উলাই কৰিব নোৱাৰিলে। পিছে—ৰামশাস্ত্ৰীয়ে ক'লে যে, আন ক'ৰবালৈ যোৱাৰ আগতে—যিজনৰ সৌভাগ্য গণনাৰ ফলত মুকলি হৈছিল—তেওঁৰপৰা আধালাখ লৈ লোৱাৰ পাছতহে যি হয় কৰা হ'ব। ৰামশাস্ত্ৰীয়ে তাৰ দেউতাকক সুধিলে, "সেই দুজনৰ মাজত মুদ্ৰা ওলাইছিল কাৰ—?"

ৰামশাস্ত্ৰীৰ দেউতাক সত্যশাস্ত্ৰীয়ে মূৰ খজুৱাই ক'লে, "সেই কথাটো তো—সুধিবলৈ নহ'ল। পিছে—সেই কথা তুমিয়েই গণনা কৰি উলিয়াব পাৰিবা। সঠিককৈ গণনা কৰিবা, নহ'লে কিন্তু ভুলকৈ সাপে-খোটা ঘৰলৈ গৈ মৰিবা।"

ৰামশাস্ত্ৰীয়ে বহু সময় ধৰি গণনা

কৰিলে, কিন্তু কাৰ ভাগ্যত যে মুদ্ৰা ওলাল কাৰ ভাগ্যত যে সাপ—তাৰ ভু-ভা নাপালে। ৰামশাস্ত্ৰীয়ে অসহায় ভাৱে ক'লে "মই বিষম অৱস্থাত পৰিছোঁ। কিন্তু লাগিলে জ্যোতিষকে এৰিম, গাঁও নেৰোঁ।"

তেতিয়া দেউতাক সত্যশাস্ত্ৰীয়ে হাঁহি মাৰি ক'লে, "জ্যোতিষ এৰি দিয়াটোৰেই সঠিক কাম হ'ব। কিয়নো—লোকৰ ভৱিষ্যৎবাণী কওঁতে তুমি যে কিমান ভুলকৈ কোৱা—তোমাৰ মনত নাথাকে। সুবাস আৰু বিনাশক কোৱা কথা ফলিল বুলি মই যেতিয়া তোমাক ক'লোঁ, তুমি আচৰিত হোৱা নাছিলা। কিন্তু আধালাখ টকা পুৰস্কাৰ লোৱাৰ কথাত তুমি নিজেই স্থিৰ কৰিব নোৱাৰিলা—কাৰ ভাগ্যত কি থকা বুলি কৈছিলা। ইয়াৰেপৰাই ওলাই পৰিছে যে—জ্যোতিষত তোমাৰ নিজৰ বিশ্বাসৰ শিপা কিমানলৈ বিয়পা! মই চহৰলৈকো যোৱা নাছিলোঁ, বা একো শুনাও নাছিলোঁ। মই মিছাকৈহে—তোমাক পৰীক্ষা কৰিবলৈহে তেনেকৈ কৈছিলোঁ। যি কি নহওক—এতিয়া জ্যোতিষ-চৰ্চা ধোঁৱাচাঙত তুলি থৈ প্ৰয়োজনীয় পাণ্ডিত্যৰে সামাজিক কৰ্মৰ যোগেদি জীৱিকা উলিয়াবলৈ চেষ্টা কৰা। তোমাৰ প্ৰকৃত জ্ঞানোদয়ৰ কাৰণেহে মই সুবাস-বিনাশৰ ভাওনা পাতিছিলোঁ।"

জ্যোতিষেও যে কেতিয়াবা বিপদক মাতি আনিব পাৰে—ৰামশাস্ত্ৰীয়ে উপলব্ধি কৰিলে আৰু সিদিনাৰেপৰাই পিতৃৰ কথা সাৰোগত কৰি জ্যোতিষৰ চৰ্চা বন্ধ কৰি অভিজ্ঞতাৰ দাম দিলে।

আগলৈ ৰামশাস্ত্ৰীয়ে অধিক মনোযোগেৰে অধ্যয়ন কৰি—অধিকতৰ পাণ্ডিত্য আৰ্জি—সেই পাণ্ডিত্যৰে—এই আওবাট এৰি—প্ৰকৃত সামাজিক কৰ্মৰ যোগেদি দহো ৰাইজৰ মংগল সাধি যথেষ্ট যশ-খ্যাতি আৰ্জিলে।

পাণ্ডিত্যৰ উৎস

সুপ্ৰাচীন কালত উজ্জয়িনীনগৰত শাস্তভূষণ নামৰ বিৰাট বিদ্যাৱন্ত মহান পণ্ডিত এগৰাকী বাস কৰিছিল। তেওঁৰ সম্পৰ্কে জনশ্ৰুতি আছিল এয়ে যে—তেওঁ নপঢ়া শাস্ত্ৰ নাই তেওঁ নজনা কথা নাই।

কিন্তু পণ্ডিত শাস্তভূষণৰ দুজন পৰম-প্ৰিয় শিষ্য—শাণ্ডিল্য আৰু চ্যৱনৰ মনত সদায় সন্দেহে উক্ দি উঠে যে সিহঁতৰ তেওঁৰ গুৰুৱে এই বিপুল পাণ্ডিত্য ক'ৰপৰা কেনেকৈ প্ৰাপ্ত হ'ল।

এদিন এই প্ৰসংগত চ্যৱনে শাণ্ডিল্যক ক'লে, "আমাৰ গুৰু হ'ল সুবিখ্যাত পণ্ডিত ব্ৰহ্মভট্টাৰকৰ শিষ্য। আৰু শুনিছোঁ যে—পণ্ডিত ব্ৰহ্মভট্টাৰকৰ শিষ্যত্ব প্ৰাপ্তি ঈশ্বৰপ্ৰাপ্তিৰ দৰেই অসাধ্য কাম। এই কথা কেতিয়াও তুমি শুনা নাইনে বাৰু?"

"কিয় শুনা নাই? নিশ্চয় শুনিছোঁ। কিন্তু—মোৰ মতে—গুৰু হ'ল ভেঁটিশিল। জীয়াই থকাৰ প্ৰথম চাপ। জনশ্ৰুতি আছে যে—আমাৰ গুৰুদেৱে একলাখ সাঁচি-পতীয়া গ্ৰন্থ পাঠ কৰিছিল আৰু তাৰপৰা জ্ঞান আহৰণ কৰিছিল। এয়ে কিজানি আমাৰ গুৰুদেৱৰ অনন্ত পাণ্ডিত্যৰ উৎস।" শাণ্ডিল্যই চ্যৱনৰ সন্দেহজনক প্ৰশ্নৰ উত্তৰত এই কথা ক'লে।

তাৰ পাছত দুয়োজনেই সিহঁতৰ মনৰ সন্দেহ তথা জিজ্ঞাসাৰ কথা স্বয়ং গুৰুক ক'ব বুলি স্থিৰ কৰিলে।

শিষ্য দুজনৰ কথা শুনি গুৰু শাস্তভূষণে ক'লে, "এই প্ৰশ্ন শুনি মই প্ৰীত হৈছোঁ। বহুকাল ধৰি বেদান্ত-সম্পৰ্কীয় কিছুমান সমস্যাৰ মই সমাধান



হাঁহি মাৰি শান্তভূষণৰ শিষ্যদ্বয়ক ক'লে, "শান্তভূষণৰ দৰে উচ্চশ্ৰেণীৰ পণ্ডিত ব্যক্তিক শিষ্য হিচাপে পাই মই পৰম গৌৰৱান্বিত। এনে প্ৰশ্ন সুধি পঠোৱা কেৱল তাৰ পক্ষেই সম্ভৱ। কিন্তু মই এতিয়া যথেষ্ট বৃদ্ধ হ'লোঁ, তিনিকাল গৈ একালত লাগিল। সেইহে, এই প্ৰশ্নৰ সদুত্তৰ দিয়াটো, বিশেষকৈ সমিধান দিয়াটো মোৰ পক্ষে সম্ভৱ নহয়। তথাপি, দুটা দিনৰ পাছত তোমালোক আহা যদি, মই এবাৰ চেষ্টা কৰি চাম।"

দুদিনৰ পাছত শাণ্ডিল্য আৰু চাৱন পুনৰ ব্ৰহ্মভট্টাৰকৰ ওচৰলৈ গ'ল আৰু তেওঁ অৰ্থাৎ ব্ৰহ্মভট্টাৰকে কিছুখিনি তাল-পাত আৰু দুডাল লেখনী সিহঁতক প্ৰদান কৰি সেই সন্দেহৰ উত্তৰ কৈ থাকিল আৰু সিহঁতে লিখি থাকিল। তাৰ প'ছত সিহঁত পুনৰ শান্তিভূষণৰ ওচৰলৈ উভতি যাবলৈ সাজু হ'ল। তেতিয়া গুৰু ব্ৰহ্মভট্টাৰক মহাশয়ে সিহঁতক ক'লে, "বোপাহঁত, তোমালোক শান্তিভূষণৰ দৰে মহৎ ব্যক্তিৰ শিষ্য। গতিকে তোমালোকক অধিক কথা কোৱাটো নিষ্প্ৰয়োজন। তোমালোকৰ গুৰুৰ মনৰ সন্দেহৰ সমাধান মানৱ-ধৰ্মশাস্ত্ৰত পৰিলক্ষিত হ'ব। কিন্তু মোৰ-কৃত সমাধানৰপৰা কিছুমান বিশেষ

বিচাৰি নোপোৱা হৈছোঁ। এইবোৰ প্ৰশ্নৰ উত্তৰ কেৱল মোৰ গুৰু ব্ৰহ্মভট্টাৰক-দেউৱেহে দিব পাৰিব। তেওঁ এতিয়া অতিশয় বৃদ্ধ। তোমালোক কাশীলৈ যোৱা আৰু গুৰুদেৱ ব্ৰহ্মভট্টাৰকৰপৰা এই উত্তৰ লৈ আহাঁগৈ। তাৰ পাছতহে তোমালোকৰ মনত উক দি উঠা সকলো সন্দেহৰ নিৰসন কৰিব পাৰিম।" এই বুলি কৈ তেওঁ নিজৰ মনৰ সন্দেহযুক্ত প্ৰশ্ন তাল পাতত গুৰুলৈ লিখি পঠালে।

*

গুৰু ব্ৰহ্মভট্টাৰকে সকলো কথা শুনি আৰু তালপতীয়া পত্ৰখন পঢ়ি মুহূৰ্তকৈ

প্ৰশ্ন ৰসায়ন-শাস্ত্ৰ-সম্বন্ধিত। সেইবোৰ প্ৰশ্নৰ সমাধান অৱন্তীনগৰস্থিত কুম্ভকাৰ পুৰকায়স্থইহে কৰিব পাৰিব। নহ'লে তোমালোকৰ জিজ্ঞাসাৰ উত্তৰ আধকৰা হৈ ৰ'ব আৰু তোমালোকৰ গুৰুৰ সন্দেহৰ আংশিক নিৰসনহে হ'বগৈ।"

শাণ্ডিল্য আৰু চাৰন অৱন্তীনগৰলৈ গ'ল। তাত কুম্ভকাৰ পুৰকায়স্থৰ সৈতে সাক্ষাৎ কৰিলে। সিহঁতৰ বক্তব্য শুনি ভাল পাই কুম্ভকাৰ পুৰকায়স্থই ক'লে, "আচাৰ্য্যাই যেতিয়া মুকলি ঠাইত উপবেশন কৰি শিক্ষাদান কৰিছিল, তেতিয়া মই দিন প্ৰতিদিন তাত অলপ আঁতৰত খিয় হৈ সেই শিক্ষাদান শুনিছিলোঁ আৰু ভাবিছিলোঁ যে এই সৎশিক্ষাৰ সৰিয়হ পৰিমাণও যদি গ্ৰহণ কৰিব পাৰোঁ, ধন্য মানিম। বহুদিনৰ অন্তত এদিন তেওঁ মোক তেওঁৰ ওচৰলৈ মাতিলে আৰু ক'লে 'পুৰকায়স্থ! তোমাৰ মাজত জ্ঞান-সঞ্চয়লৈ অপাৰ ইচ্ছা মই লক্ষ্য কৰিছোঁ। তোমাৰ নিজস্ব বিদ্যাত তুমি যি পাৰংগমতা প্ৰদৰ্শন কৰিছা আৰু তাৰ ফলত যি শলাগ পাইছা—তাৰ খবৰ মই পাওঁ। এদিন-নহয়-এদিন মহাসাগৰৰ দৰে এই জ্ঞানাৰ্ণৱৰ মন্থন কৰোঁতে মোক তোমাৰ সহায়তাৰ আৱশ্যক হ'ব যে—তাকো মই জানো।' তাৰ

পাছত তেওঁ মোক আশীৰ্বাদ কৰিলে।

"তাৰ পাছত মই দেশৰ ৰজাৰ আশ্ৰয় প্ৰাপ্ত হৈছিলোঁ আৰু কাশী নগৰী পৰিত্যাগ কৰি ইয়ালৈ—এই অৱন্তীপুৰলৈ গুচি আহিছিলোঁ।"

এইদৰে, আত্মপৰিচয় প্ৰদান কৰি কুম্ভকাৰে ব্ৰহ্মভট্টাৰকৰ সন্দেহৰ সমাধান কৈ দিছিল।

তাৰ পাছত, কুম্ভকাৰ পুৰকায়স্থৰপৰা বিদায় লৈ পুনৰ গৃহাভিমুখী হোৱাৰ লগতে কুম্ভকাৰে শাণ্ডিল্য আৰু চ্যৱনক ক'লে, "মই আমাৰ আচাৰ্য্যদেউৰ প্ৰশ্নৰ উত্তৰ নিজৰ কুলবিদ্যাৰ যোগেদি দিলোঁ।

এই উত্তৰ প্ৰকৃত শাস্ত্ৰানুগ হ'লনে নাই—মই ক'ব নোৱাৰোঁ। মই পণ্ডিতবৰ্গৰ মুখে শুনিছোঁ যে ৰসায়নশাস্ত্ৰতহে প্ৰকৃত উত্তৰ মিলিব। মোৰ সককালৰ বন্ধু আৰু আচাৰ্য্যদেউৰ প্ৰিয় শিষ্য শান্তভূষণৰ সেই ৰসায়ন-শাস্ত্ৰত মহান পণ্ডিত্য আছে। তেওঁ এতিয়া উজ্জয়িনী নগৰত বাস কৰিছে। তোমালোক তালৈ যোৱা, আৰু তেওঁ যেন তোমালোকৰ প্ৰশ্নৰ সমাধান দিয়ে—মই তেওঁৰ ওচৰত এই প্ৰাৰ্থনা জানাইছোঁ বুলি কোৱাগৈ।"

কুম্ভকাৰৰ মুখে এই কথা শুনি শাণ্ডিল্য আৰু চাৰন চমকিত হ'ল আৰু কুম্ভকাৰক ক'লে যে সিহঁত দুজন হ'ল শান্তভূষণৰ শিষ্য আৰু তেওঁৰ প্ৰশ্নৰ সমাধান বিচাৰিহে সিহঁত দুজন ওলাইছে।

তাৰ পাছত, পুনৰ উজ্জয়িনীলৈ উভতি আহি গুৰু শান্তভূষণক সকলো কথা—গুৰু ব্ৰহ্মভট্টাৰকৰ কথা, আৰু কুম্ভকাৰ পুৰকায়স্থই কোৱা কথাখিনিও ক'লে।

তেতিয়া শান্তভূষণে মৃদু মৃদু হাঁহিৰে শাণ্ডিল্য আৰু চাৰনক ক'লে, "মানুহে মোক পণ্ডিত বুলি কয়, তথাপি—মই যে কিমান কথা নাজানো—দেখিলাই নহয়? বিশেষ বিশেষ কথা জানিবলৈ যে কিমান শ্ৰম কৰিব লাগে তাকো দেখিলাই।"

সেইমুহূৰ্তমান নিৰৱ হৈ থকাৰ পাছত গুৰু শান্তভূষণে পুনৰ ক'লে, "গুৰু আৰু গ্ৰন্থ—দুয়ো নিশ্চয়েই জ্ঞান আহৰণত সহায়ক হয়। তথাপি বহু বিষয়েই অজ্ঞাত থাকি যায়। সেই কাৰণে — প্ৰকৃত জ্ঞানলিপ্সু পণ্ডিতে জনাৰ কাৰণে সদায় অন্বেষণ কৰিব লাগে। এই অন্বেষণেই পাণ্ডিত্যৰ প্ৰকৃত উৎস জনাৰ তথা জ্ঞানৰ আন বিকল্প নাই।"

শান্তভূষণৰ বক্তব্যৰ অন্তৰ্নিহিত সত্য উপলব্ধি কৰি শাণ্ডিল্য আৰু চাৰনে জ্ঞানৰ নিৰন্তৰ অন্বেষণৰ পথলৈ খোজ বঢ়ালে।

২৪

তিমানতে বিভীষণ তাত ওলালহি। বিভীষণক বানৰসকলে ইন্দ্ৰজিত বুলি ভাবিল'লে আৰু তাৰ কাৰণে বানৰসকলৰ মাজত অত্যন্ত বিৰক্তি-বিতুষ্টিৰ ভাব পৰিলক্ষিত হ'ল, তেতিয়া সুগ্ৰীৱৰ আজ্ঞানুসাৰে জাম্বৱন্তই বানৰসকলক সম্বোধি ক'লে, "হে বানৰসকল! এতিয়াই যিজন আহিল—তেওঁ কিন্তু ইন্দ্ৰজিত নহয়, বিভীষণ।"

ৰাম-লক্ষ্মণৰ অৱস্থালৈ চাই বিভীষণ অতি দুঃখিত-ব্যথিত হ'ল। বিভীষণৰ মনত এই ধাৰণা দৃঢ় হ'ল যে শ্ৰীৰামচন্দ্ৰই কোৱা মতে তেওঁ আৰু লংকাৰ ৰজা হ'ব নোৱাৰিব, সেই আশাৰ সমাধি হ'ল।

সুগ্ৰীৱে বিভীষণক আলিংগন কৰি ক'লে, "বিভীষণ, ৰাৱণ আৰু ইন্দ্ৰজিত যুদ্ধত বিজয়ী হ'ল বুলি নাভাবিবা। আৰু—তুমিও লংকাৰ ৰজা নহ'বা বুলি হতাশ নহ'বা। শ্ৰীৰামচন্দ্ৰই কৈছে যেতিয়া—তোমাক অৱশ্যেই লংকাৰ ৰজা পতা হ'ব। ৰাম-লক্ষ্মণ মূৰ্চ্ছা গ'ল। তেওঁলোকৰ মৃত্যু হোৱা নাই, বা সিমান একো বিপদও হোৱা নাই। তেওঁলোকে অচিৰাৎ চেতনা ঘূৰাই পাব, আৰু শত্ৰুৰ বিনাশ সাধিব।"

সুষেণে সুগ্ৰীৱক ক'লে, "অতীতত দেৱ-দানৱৰ যুদ্ধত দানৱহঁতে—অৰ্থাৎ ৰাক্ষসহঁতে মায়াবলেৰে আনকি কিছুমান দেৱতাকো ধৰাশায়ী কৰিছিল, কিছুমান

'গৰুত্মানৰ সহায়তা'

দেৱতাক মাৰিও পেলাইছিল। তেতিয়া দেৱ-গুৰু বৃহস্পতিয়ে তেওঁৰ মৃতসঞ্জীৱনী বিদ্যাৰে সঞ্জীৱকৰণী আৰু বিশল্যকৰণী নামক ঔষধিৰে ভাল কৰি তুলিছিল। আগৰ দিনত—য'ত ক্ষীৰসাগৰ মন্থন কৰা হৈছিল, তাত চন্দ্ৰপৰ্বত আৰু দ্ৰোণপৰ্বত অৱস্থিত। সেই পৰ্বতদ্বয়তহে এই ঔষধ পোৱা যায়। হনুমানক তালৈ পঠাওক।"

ঠিক তেতিয়াই প্ৰলয়ংকৰ ভাবে বায়ু প্ৰবাহিত হৈ থাকিল। বানৰসকলে সেই কোবাল বায়ুৰ মাজদি গৰুত্মানক আহি থকা দেখা পালে। গৰুত্মানক অহা দেখা পোৱামাত্ৰেই ৰাম-লক্ষ্মণক মেৰিয়াই থকা সৰ্পবোৰ ৰাম-লক্ষ্মণক এৰি যেনিয়েদি যেনেকৈ পাৰিলে পলাবলৈ ধৰিলে।

গৰুত্মান আকাশৰপৰা পোনে পোনেই ৰাম-লক্ষ্মণৰ ওচৰলৈ আহিল আৰু আহিয়েই ৰাম-লক্ষ্মণৰ সৰ্বদেহত হাত বুলাই দিলে। তাৰ ফলত ৰাম-লক্ষ্মণৰ দেহৰ ক্ষত তৎক্ষণাৎ ভাল হৈ গ'ল, আৰু তেওঁলোক সুস্থ হৈ উঠিল।

ৰামচন্দ্ৰই গৰুত্মানক ক'লে, "আপোনাৰ কৃপাৰে আমি পূৰ্বৱৎ শক্তিশালী হৈ উঠিছোঁ। আপোনাক পাই আমাৰ পিতৃ দশৰথ বা পিতামহ অজক পোৱা যেন পাইছোঁ। আপুনি কোন অনুগ্ৰহ কৰি ক'বনে?"

গৰুত্মানে আনন্দৰে ক'লে, "হে ৰাম! মই তোমাৰ মিত্ৰ। মই তোমৰ প্ৰাণসম, মোৰ নাম হ'ল গৰুত্মান। তোমালোকক সহায় কৰিবলৈহে মই আহিছোঁ। তোমাক বা তোমালোকক যি বাণপাশেৰে আবদ্ধ কৰা হৈছিল, আচলতে সেই বাণপাশ আছিল সৰ্পৰ সমষ্টি। সেই কাৰণে, তোমালোকৰ এই অৱস্থাৰ কথা শুনামাত্ৰেই মই লৰি আহিলোঁ, আৰু তোমালোকক সৰ্পবন্ধনমুক্ত কৰিলোঁ। এই যুদ্ধত সামান্য অসাৱধান হ'লেই এনেকুৱা অৱস্থা হ'ব, সাৱো-সাৰ জানিবা।"

তাৰ পাছত, বিদায় লৈ গুচি যোৱাৰ

আগতে গৰুড়ে পুনৰ ক'লে, "হে ৰাম! মই যে তোমাৰ কেনেকুৱা মিত্ৰ—সেই কথা নুসুধিবা। এই যুদ্ধত বিজয়ী হোৱাৰ পাছত—মই তোমাৰ কোন—সেই কথা আপোনা-আপুনিয়েই প্ৰকাশিত হ'ব। যুদ্ধৰ অন্তত লংকাত কেৱল শিশু আৰু বৃদ্ধসকলহে জীয়াই থাকিব। ৰাৱণৰ মৃত্যু হ'ব আৰু সীতাৰো উদ্ধাৰ হ'ব—এই কথা ধ্ৰুৱ বুলি জানিবা।" এই বুলি কৈয়েই গৰুড়ে আকাশলৈ উৰা মাৰিলে।



ৰাম-লক্ষ্মণ যেতিয়া পূৰ্বৰং সুস্থ হৈ উঠিল, তেতিয়া বানৰকুল আনন্দৰে সিংহনাদ কৰি থাকিল। ভেৰী নিনাদিত হ'ল আৰু মৃদংগ বাজি থাকিল। আৰু তাৰ পাছত উদ্বেলিত বানৰবোৰে বৃক্ষ উপাৰি আনি লংকাৰ প্ৰবেশদ্বাৰ বেঢ়ি ধৰিলে যেতিয়া—তেতিয়া নিশাৰ দুপৰ পৰ।

*

মধ্যৰাত্ৰিত অসংখ্য বানৰৰ সিংহনাদ শুনি ৰাৱণৰজাই তেওঁৰ মন্ত্ৰীবৰ্গক ক'লে, "বান্দৰমখাই ৰাম-লক্ষ্মণৰ কাৰণে ক্ৰন্দনৰ সলনি ইমান আনন্দ কৰিছে কিয়? এয়া যথেষ্ট দুৰ্লক্ষণ। এই আনন্দৰ কাৰণ অতি উত্তমৰূপে অনুসন্ধান কৰি এতিয়াই মোক ক'বহি লাগিব।"

লগে লগে কিছুমান বীৰ ৰাক্ষস লংকাৰ সুউচ্চ প্ৰাচীৰলৈ উঠিল আৰু ৰাম-লক্ষ্মণ তথা আনন্দমগ্ন বানৰবিলাকক প্ৰত্যক্ষ কৰি উভতি আহি দেখা কথাখিনি যথেষ্ট ভয়ে ভয়ে মুখেৰে ৰাৱণৰজাক ক'লে।

ইন্দ্ৰজিতৰ বাণপাশৰপৰা মুক্ত হোৱা ৰাম-লক্ষ্মণৰ কথা শুনি মহাৰাজ ৰাৱণ কিঞ্চিত শংকাপৰা বিধৰ হ'ল, কিয়নো—বাসুকিৰ দৰে বাণও অকামিলা হ'ল যে এয়া যথেষ্ট দুৰ্লক্ষণ!

ৰাৱণৰজাই ধূম্ৰাক্ষ নামৰ বীৰ ৰাক্ষসক ক'লে, তুমি বিৰাট সৈন্যবাহিনী লগত লৈ ওলোৱা আৰু সেই পাইকৰ বেটা গাই গোটাইতক—ৰাম-লক্ষ্মণৰ নামৰ নপুংসক

ছুটাক খতম্ কৰি আহাঁগৈ যোৱা।"

ধূম্রাক্ষই তাত আৰু সামান্যও পলম নকৰিলে। ধূম্রাক্ষই সেনাধিপতিক ক'লেগৈ যে—সি ৰাম-লক্ষ্মণ বিৰুদ্ধে ৰণ দিবলৈ তথা মহাৰাজৰ আদেশ মতে সিহঁত নগণ্য লেহেতীয়া ছুটাক লাং লাং থাং থাং কৰি যমৰ আলহী কৰিবলৈ ওলাইছে। গতিকে —তেওঁ সেনাধিপতিয়ে এই পৰম শুভ কাৰ্য্যৰ বাবে জোখে জোখাৰে সৈন্যৰ যথোচিত বন্দৱস্ত কৰি দিব লগে।

ধূম্রাক্ষক অহা দেখা পায়েই বানৰসকলে সিংহনাদ কৰি উঠিল। দুয়ো পক্ষৰ মাজত তুমুল যুদ্ধ আৰম্ভ হ'ল, বানৰসকলে বৃক্ষ আৰু প্ৰস্তৰেৰে ধূমাধাৰ "ৰাক্ষস বধ কৰিবলৈ ধৰিলে. ৰাক্ষস সৈন্যয়ো বানৰ-বিলাকক যথেষ্ট সংখ্যাৰে কচুকটা দিলে।

এইদৰে, অধিক সংখ্যক বানৰ নিহত হোৱা দেখি হনুমান ক্রুদ্ধ হৈ উঠিল আৰু হনুমানে সৰুসুৰা পাহাৰ এটি হেন বিৰাট শিল এচটা দাঙি ধূম্রাক্ষৰ ৰথলৈ টোঁৱাই দলিয়াই মাৰিলে। ধূম্রাক্ষৰ ৰথ চূৰ্ণ-বিচুৰ্ণ হ'ল, কিন্তু ধূম্রাক্ষ জঁাপ মাৰি ৰক্ষা পৰিল।

হনুমানে বিৰাট বিৰাট বৃক্ষ আৰু বৃক্ষৰ ডালেৰে ৰাক্ষসবিলাকক ধুম-পিটনে পিটিবলৈ ধৰাত ৰাক্ষসবিলাকে তাৰপৰা ফৰিংছিটিকা দিলে। তাৰ পাছত হনুমানে ধূম্রাক্ষক পোনাবলৈ ধৰিলে।

ধূম্রাক্ষই তাৰ টাঙোনেৰে হনুমানৰ মস্তকৰ ওপৰত ভুমাৰ মাৰিলে; কিন্তু তাৰে হনুমানৰ নোম এডালিও নলৰিল। এইবাৰ হনুমানে বিৰাট শিল এচটাৰে ধূম্রাক্ষক যি প্ৰহাৰ কৰিলে, সেই প্ৰহাৰৰ ফলত ধূম্রাক্ষই তেজ বঁতিসাই মৰি থাকিল।

*

ধূম্রাক্ষৰ মৃত্যু-সম্বাদ শ্ৰৱণ কৰি ৰাৱণ-ৰজাই অগ্নিমূৰ্তি ধাৰণ কৰি বজ্ৰদংষ্ট্ৰলৈ চাই ক'লে, "তুমি এই মুহূৰ্তে ওলাবা, আৰু ৰাম-লক্ষ্মণ নামৰ নগণ্য নৰ ছুটাৰ কটামূণ্ড মোৰ ওচৰলৈ লৈ আহিবা।"

বজ্ৰদংষ্ট্ৰই বছা বছা বীৰ ৰাক্ষসসেনা তথা অতি আধুনিক অস্ত্ৰ-শস্ত্ৰ লৈ যুদ্ধ ক্ষেত্ৰলৈ বুলি লংকা নগৰীৰ দক্ষিণদ্বাৰেদি ওলাল। তাত বানৰ-সৈন্যৰে সৈতে অংগদ যিকোনো পৰিস্থিতিক চম্ভালিবলৈ সাজু হৈ আছিল। বজ্ৰদংষ্ট্ৰ অংগদৰ পিনে আগুৱাই অহাত অংগদে বজ্ৰদংষ্ট্ৰক তৎমুহূৰ্তেই আক্ৰমণ কৰিলে! উভয়ৰ মাজত বিৰাট যুদ্ধ লাগি পৰিল। এই ভয়ানক যুদ্ধত যেতিয়া ৰাক্ষস সৈন্যয়েই অধিক সংখ্যক বানৰ সৈন্যক বধিবলৈ ধৰিলে, তেতিয়া ক্ৰুদ্ধ অংগদে অতি ক্ৰূৰ ভাবে ৰাক্ষসবিলাকক বধি থাকিল।

অংগদৰ প্ৰচণ্ড প্ৰহাৰৰ ফলত যেতিয়া ৰাক্ষসবিলাক পৰুৱাৰ দৰে মৰিবলৈ ধৰিলে, তেতিয়া বজ্ৰদংষ্ট্ৰৰ ক্ৰোধ জুইহেন হৈ জ্বলি থাকিল। বজ্ৰদংষ্ট্ৰই বানৰসৈন্যৰ ওপৰত ধাৰাসাৰ বৰষুণৰ টোপালৰ দৰে বাণ বৃষ্টি কৰিবলৈ ধৰাত অংগদে বিশাল বিশাল শিলা নিক্ষেপ কৰি বজ্ৰদংষ্ট্ৰৰ ৰথ ৰেণু ৰেণু কৰি পেলালে। তেতিয়া বীভৎস-মূৰ্তি বজ্ৰদংষ্ট্ৰই তেওঁৰ বিশাল গদা হাতত লৈ তললৈ জাঁপ মাৰি নামি আহিল আৰু চাওঁতে চাওঁতে অচেতন হৈ কটা কলগছ এজোপাৰ দৰে বাগৰি পৰিল।

কিন্তু পাছ মুহূৰ্ততেই বজ্ৰদংষ্ট্ৰই তেওঁৰ চেতনা ঘূৰাই পালে, আৰু তেওঁৰ হস্তধৃত সেই বিশাল গদা অংগদলৈ বুলি সজোৰে নিক্ষেপ কৰিলে।

এনেহেন কিবা এটা ঘটনাৰ বাবে অংগদ প্ৰস্তুত হৈয়েই আছিল, গতিকে অংগদ কাণে কাণ মাৰি গদাঘাতৰপৰা কথমপি সাৰি গ'ল।

তাৰ পাছত অংগদ আৰু বজ্ৰদংষ্ট্ৰৰ মাজত মুষ্টিযুদ্ধ লাগি পৰিল। বহু সময় ধৰি এই মুষ্ট্যাঘাত চলি থাকিল। কোনেও কাকো ধৰাশায়ী কৰিব নোৱাৰিলে। অকস্মাৎ অংগদে চকুৰ পচাৰ নৌ পৰোঁতেই খাপৰপৰা তৰোৱাল উলিয়াই

বিজুলী গতিৰে বজ্ৰদংষ্ট্ৰক ঘচংকৈ কাটি ছুছোৰা কৰি পেলালে।

*

বজ্ৰদংষ্ট্ৰৰ মৃত্যুৰ সংবাদ শুনি মহাৰাজ ৰাৱণে সুবিশাল আৰু অতি সুৰক্ষিত ৰথৰে সৈতে ৰাক্ষসকুলৰ অন্যতম শ্ৰেষ্ঠ বীৰ অকম্পণক ৰাম-লক্ষ্মণৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ, তথা ৰাম লক্ষ্মণ সুগ্ৰীৱ হনুমান অংগদ আদিৰ ছিন্ন মুণ্ড লৈ আহিবলৈ প্ৰেৰণ কৰিলে।

এইবাৰ ৰাক্ষসে-বানৰে সুতীব্ৰ যুদ্ধ লাগি পৰিল। উভয় পক্ষৰ অসংখ্য বীৰ-বীৰশ্ৰেষ্ঠ ৰণত পৰিল। কুমুদ, নল, মৈন্দ্য আৰু দ্বিবিদ নামৰ বানৰসকলে দুৰন্ত সাহসৰে ৰাক্ষসৰ বিৰুদ্ধে যুঁজিলে।

অকম্পণে এইবোৰ বানৰ বীৰক চিনিব পাৰিলে আৰু তেওঁ এই বাৰ বীৰ সকলৰ পিনে ৰথ পৰিচালনা কৰিলে। অকম্পণৰ আগত বানৰ বীৰসকল তিষ্ঠিব নোৱৰা হ'ল। এই ঘটনা প্ৰত্যক্ষ কৰি এইবাৰ হনুমান আগবাঢ়ি আহিল আৰু অকম্পণে হনুমানলৈ বৃষ্টিৰ দৰে ধাৰসাৰে বাণ নিক্ষেপ কৰি থাকিল। কিন্তু হনুমানে সেইবোৰ বাণলৈ ভ্ৰূক্ষেপো নকৰা হ'ল, আৰু অতি উচ্চ স্বৰেৰে সিংহনাদ কৰি ধৰিত্ৰীক পদাঘাত কৰিলে, হনুমানৰ এই কাৰ্যৰ ফলত ধৰিত্ৰী কঁপি উঠিল।

হনুমানে এজোপা বিৰাট্ শালবৃক্ষ উপৰিবলৈ অকম্পণৰ পিনে প্ৰধাৱিত হ'ল, আৰু অকম্পণৰ মস্তকোপৰি সজোৰে আঘাত কৰাত সেই আঘাত সহিব নোৱাৰি অকম্পণ তাতেই মৰি থাকিল।

*

অকম্পণৰ মৃত্যু-সংবাদ পাই ৰাৱণ মহাৰাজ অত্যন্ত বিচলিত হ'ল, আৰু ৰাক্ষস-সৈন্যৰ শক্তিৰ পৰিমাপ তথা পৰীক্ষা ল'বলৈ আৰু মনোবল যোগাবলৈ তেওঁ স্বয়ং লংকা নগৰীৰ অ'ত ত'ত ৰাক্ষসসৈন্য-বাহিনীক পৰিদৰ্শন কৰি থাকিল। তেওঁ

সমগ্ৰ লংকা নগৰীক বানৰসৈন্যই চাৰিওফালৰপৰা আগুৰি থকা দেখা পালে।

ৰাৱণে প্ৰহস্তক ক'লে, "আমাৰ লংকা নগৰীক শত্ৰুসৈন্যই চাৰিওফালৰপৰাই আগুৰি ধৰিছে। এই বিলাকক বিনাশ কৰিবলৈ—মই, কুম্ভকৰ্ণ, ইন্দ্ৰজিত আৰু নিকুম্ভ যুদ্ধলৈ ওলাম। লগতে—তুমিও ওলাবা। তুমি যথাযোগ্যৰূপে সৈন্য লগত লৈ যুদ্ধলৈ ওলাই—বানৰসৈন্যক ভালকৈ এসেকা দি আহাগৈ।"

মহাৰাজ ৰাৱণৰ কথা শুনি প্ৰহস্তই মহাৰাজ ৰাৱণক ক'লে :

"মহাৰাজ! এই কথা মই ভালকৈয়েই জানো যে সীতাক আপুনি ওভোতাই নিদিব, আৰু সেই কাৰণে বিষম যুদ্ধ হ'ব। যদিও—লগতে এই কথাটোও জানো যে--সীতাক ওভোতাই দিয়াহেঁতেন এই ধ্বংসকাৰী যুদ্ধ পৰিহাৰ কৰা হ'লহেঁতেন। যি কি নহওক — মই আপোনাৰ আদেশ কদাপি অমান্য কৰা নাই বা কৰিব নোৱাৰোঁ। মই এতিয়াই ৰণ দিবলৈ ওলাম।"

প্ৰহস্তই এই কথা কৈয়েই বিৰাট সৈন্যবাহিনীৰে সৈতে যুদ্ধলৈ ওলাই পৰিল। প্ৰহস্তৰ লগত—নৰান্তক, কুম্ভহন, মহানাদ আৰু সমুন্নত নামৰ চাৰিও ৰাক্ষস বীৰশ্ৰেষ্ঠও ওলাল।

*

সসৈন্য প্ৰহস্তক দেখা পাই শ্ৰীৰামচন্দ্ৰই বিভীষণক সুধিলে, "সৌ আহি থকাজনক অতি পৰাক্ৰমী যেন লাগিছে। এইজন পৰাক্ৰমী—এওঁনো কোন?"

"এওঁ হ'ল ৰাৱণৰ অন্যতম সেনাপতি —প্ৰহস্ত। ৰাৱণৰ যিমান সৈন্য আছে, তাৰ তিনিভাগৰ এভাগ এই প্ৰহস্তৰ অধীনতে আছে। বিৰাট পৰাক্ৰমী হিচাপে প্ৰহস্ত খ্যাত।" বিভীষণে শ্ৰীৰামচন্দ্ৰক ক'লে।

আকাশৰ কিমান খুটা

কোনোবা এখন গাঁৱত ডোলা নামৰ ভোলা মানুহ এজন আছিল। সি ভোলা ভোলাই গাঁৱৰ লোকৰ ঘৰে ঘৰে ইটো-সিটো কাম-বন কৰি পেট প্ৰৱৰ্তাইছিল।

এৰাতি খাই-বৈ জোনাকৰ পোহৰৰ মাজত মুকলি আকাশখনৰ তলত শুই হঠাৎ ভোলাই ভাবি থাকিল: মানুহে কয় —বোলে — আকাশখন হ'ল দুনিয়াৰ চাল। চালৰ থাকে কমেও চাৰিটা খুঁটা। আকাশখন যদি চালেই — ইমান মস্ত আকাশখনৰনো কিমান খুঁটা? আৰু— সেই খুঁটাবোৰ আছেবা ক'ত?

এই কথা ভবাৰ লগে লগে আন এটা কথায়ো ভোলাৰ মনত মূৰ দাঙিলে: খুঁটা নোহোৱাকৈ যদি আকাশখন হঠাৎ মূৰৰ ওপৰত ভাগি পৰে — তেতিয়া?

ভোলাই মুকলি আকাশৰ তল এৰি এজোপা বিৰাট বৰগছৰ তললৈ গৈ শুই থাকিল। তাৰ ধাৰণা হ'ল: আকাশখন যে আজি এহিক্ষণেই ভাগি নপৰিব— কোনে ক'ব? এতিয়া ভাগি পৰিলেও বৰগছৰ ডালত ঠেকা খাব আৰু সি কাণে কাণ মাৰি মৰণৰ হাত সাৰিব পাৰিব।

পাছদিনা, গাঁৱৰে দুই-চাৰিক কৈ চালে কথাটো। কিন্তু তাৰ ইমান গুৰুত্বপূৰ্ণ কথালৈ কোনেও কাণসাৰেই নকৰা হ'ল। সৰুতকৈও সৰু চালৰো যে চাৰিটা খুঁটা থাকে অথচ—ইমান মস্ত আকাশখনৰ নাই—অন্ততঃপক্ষে দেখা যে নাযায়— গতিকে যে বিপদ—এই কথাটো সি কাকো বুজাব নোৱাৰিলে। বৰঞ্চ তাক ৰাইজে এতিয়া কেৱল ভোলা নহয়, বলিয়া

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



ভোলা বুলিহে সাব্যস্ত কৰিলে।

তেতিয়া সি ভাবিলে : আকাশ নথকা ক'ৰবালৈ গৈ থাকিব পৰা হ'লে এই ভয় আৰু নাথাকিব।

ভবা মতে ভোলাই আকাশ থকা এইখন গাঁও এৰি আকাশ নথকা গাঁও বিচাৰি খোজ ল'লে।

গৈ গৈ এডৰা হাবিৰ ওচৰ পালেগৈ ভোলাই। তাত দুই-এজনেক লগ পাই আকাশৰ বিপদৰ কথাটো কৈ চালে ভোলাই। তেওঁলোকে ভোলাৰ ভৰিৰপৰা মূৰলৈকে চাই লৈ ক'লে, "কিনো বকিছা? আকাশৰোনো কিবা—খুঁটা হয়নে?"

এই সামান্য সহজ কথাটো যে মানুহে কিয় নুবুজে, ভোলা ভোলাই নুবুজে।

অবেলি হ'ল, সাঁজ লাগিল, ভাগিল। আৰু তাৰ পাছতো ভোলাই গৈয়েই থাকিল গৈয়েই থাকিল আকাশ নথকা ঠাই বিচাৰি। তাৰ পাছত—ৰাতি ছোৱা খেপিবলৈ বহি দিলে।—কথানো কি—?

ভোলাই য'ত বহিব বুলি ভাবিছিল। তাতেই আগৰেপৰাই আৰু কোনোবা এজন বহি আছিলহি!

ভোলাই কৈ উঠিল, "হাৰে! আপুনিও দেখিছোঁ আকাশখন ভাগি পৰিলে কথমপি ৰক্ষা পৰাৰ বাবে ইয়াত বৈ আছেহি!"

এই মানুহজন আছিল এজন যোগী পুৰুষ। তেওঁ ভোলাক সুধিলে, "আকাশ ভাগি পৰিব—মানে?"

"চাওক, আকাশখন পৃথিৱীৰ চাল নহয় জানো?"

"হয়।"

"সকতকৈও সৰু চালৰো চাৰিটা খুঁটা থাকে। আকাশৰনো কিমান খুঁটা? আৰু—ক'তনো সেই খুঁটা? দেখিছেনে কেতিয়াবা আকাশৰ খুঁটা? আৰু—খুঁটা নায়েই যদি ইমান বিৰাট আকাশখনৰ—ভাগি নপৰি থাকিবনে?" ভোলাইযোগী-পুৰুষৰ জ্ঞান পূৰঠ কৰি দিলে।

"আ! —এতিয়াহে বুজিলোঁ তোমাৰ কথাৰ সাৰকথা! বোপা, আকাশৰ খুঁটা নথকা নহয়, আছে, নিশ্চয় আছে। ৰাতি পুৱাওক, তেতিয়া বুজাই ক'ম।"

উৱাই ৰাতি পুৱাই গ'ল, যোগী পুৰুষে কোৱা হ'ল, "বোপা, আকাশৰ খুঁটা নাই বুলি তোমাৰ মনত যি সন্দেহ আছে, সেই সন্দেহ গুচোৱাৰ উপায় এটা তোমাক দিছোঁ। এই বাটেদি অলপমান দূৰ গ'লেই গাঁও এখন পাবা। সেইখন গাঁৱৰ ঘৰে ঘৰে যাবা আৰু তেওঁলোকক গালি পাৰি বৈ থাকি ভিক্ষা লৈ আহিবা। তাৰ পাছত তোমাক আকাশৰ খুঁটা দেখুৱাম।"

ভোলাই সেইখন গাঁও পালেগৈ। গাঁৱৰ ঘৰে ঘৰে গৈ গালি পাৰি ভিক্ষা খুজি থাকিল। অনাহকতে গালি শুনি গৃহস্থইঁতে তাক পিটিব লৈহে খেদি আহিল, ভিক্ষা নাপাই ভোলাই গৃহস্থসকলক ইচ্ছামতে দুগুণে গালি পাৰি থাকিল।

তেতিয়া এজনী তিৰোতা এঘৰৰপৰা ওলাই আহিল আৰু ভোলাক ক'লে, "পলম হ'ল বুলি তুমি গালি পাৰিছা, নহয়? ঠিকেই কৰিছা। তোমাৰ ভোক লাগিছে, আমি একো দিয়া নাই, গালি পাৰিছা, ভালেই কৰিছা। এয়া লোৱা—।" তিৰোতাজনীয়ে ভোলাক ভিক্ষা দিলে।

তাৰ পাছত ভোলাৰ মুখে ঘটনাৰ বিবৰণ শুনি যোগীপুৰুষে হাঁহি মাৰি ক'লে, "তুমি গালি পাৰিলা, তথাপি গিৰিহঁতনীয়ে তোমাক ভিক্ষা দিলে, খং নকৰিলে। এনেকৈয়েই—কোটিত এগুটি থাকিলেই হৈ যায়। এই কোটিৰ এগুটিয়েই হ'ল আকাশৰ খুঁটা। এইদৰে, পৃথিৱীৰ কৌটি কোটিৰ মাজত আকাশৰ কাৰণে ঢেৰ খুঁটা আছে। আকাশখন কদাপি ভাগি নপৰিব, ভয় নকৰিবা।"

ভোলাই যোগীপুৰুষৰ কথাৰ তাৎপৰ্য্য উপলব্ধি কৰিব পাৰিলে।

সোঁশৰীৰে স্বৰ্গলাভ

বহুযুগৰ আগৰ কথা। তেতিয়াৰ কালত ইতালি দেশত বেপ্পোপিপেট্টো নামৰ এজন অতি সাহিয়াল চিপাহী আছিল। এদিন বেপ্পোই নিৰল-নিৰ্জন অৰণ্যৰ মাজেদি গৈ আছিল। তেতিয়া ছুটা ডকাইতে এজন বেপাৰীক লুটপাট কৰি থকা দেখি বেপ্পোই ডকাইত ছুটাক মাৰি খেদিয়াম কৰিলে, বেপাৰী মানুহজন ৰক্ষা পৰিল। বেপ্পোই বেপাৰীক এষাৰ কথাও সোধ-পোছ নকৰি যেনেকৈ গৈ আছিল, তেনেকৈ গৈ থাকিল।

এইজন বেপাৰী আচলতে আছিল দেশৰ ৰজা। তেওঁ ছদ্মবেশত দেশত আইন-শৃংখলাৰ অৱনতিৰ ৰোধ কৰিবলৈ ওলাইছিল। ৰজাই বেপ্পোক হাত-বাউল দি মাতিলে আৰু ক'লে, "তুমি আজিৰপৰা স্বাধীন—একেবাৰে মুক্ত চিপাহী। তোমাৰ মন গ'লে যুদ্ধ কৰিবা, মন নগ'লে যুদ্ধাৰম্ভাতো যুদ্ধ নকৰিবা। তোমাৰ খোৱা-পিন্ধাৰ দায়িত্ব মই ল'লোঁ। তুমি নিশ্চয় মোক চিনি পোৱা নাই, মই এই দেশৰ ৰজা।"

বেপ্পোক আৰু নো কি লাগিছে? ইমান দিন ধৰি যিটো চিপাহী-মোনা সি পিঠিত কঢ়িয়াইছিল, সেই মোনা সি নমাই থ'লে আৰু তাৰ মনে-:খাৰামতে জীৱন যাপন কৰিবলৈ ধৰিলে।

বহুদিনৰ অন্তত এবাৰ এক বৃদ্ধ সৈন্যই বেপ্পোক সুধিলে, "হেৰা—তুমি যদি সঁচাসঁচি ৰজাৰ চিপাহী—তোমাৰ চিপাহী-মোনাটোনো ক'ত?"

"চিপাহীৰ কাম নকৰিলেও মহাৰাজে

'ইতালিদেশৰ লোক-কথা'

মোক পালি থাকিব।" বেপ্পোই ক'লে।

"ভাল! তুমি ভাগ্যৱান। ঠিক আছে, মই নিজৰ মোনাটো তোমাক দিছোঁ, লোৱা। এই মোনাটো কোনো সাধাৰণ মোনা নহয়, কাৰোবাক ক'বা 'মাৰাজঁাপ—বোলবাপ' সেইজন তৎক্ষণাৎ এই মোনাৰ ভিতৰত সোমাবহি। তুমি যিমান পৰলৈকে মোনাটোৰ মুখ খুলি নিদিবা, সেইজন ওলাব নোৱাৰিব। মোৰ চাউল টুটিবৰ হ'ল, তুমি মোনাটো লৈ যোৱা।" এই বুলি কৈ মোনাটো বুঢ়াই বেপ্পোক দিলে।

বেপ্পোই পৰীক্ষা কৰি চালে—বুঢ়াৰ কথা ঠিক। এই মোনাৰ মহিমা সঁচাকৈয়েই আছে। তাৰ সৈতে যুঁজি থকা দুজন মানুহক বেপ্পোই মোনাটোৰ মুখ খুলি ক'লে, 'মাৰা জঁাপ—বোলা বাপ'। আৰু সেই মানুহ দুটাই চকুৰ পচাৰতে মোনাটোৰ ভিতৰত সোমাই জোঁটাপঁুটি কৰি থাকিল।

দুবছৰকাল ধৰি নিজৰ গাঁৱত থকাৰ পাছত বেপ্পো পুনৰ ৰাজধানীলৈ গুচি গ'ল। কিন্তু ৰাজধানী তেতিয়া চুপচাপ। ৰাজধানীৰ সকলোতে কাঁহ পৰি জীণ যোৱা অৱস্থা। নিৰৱ-নিস্তব্ধ। যেনিবা মৃত নগৰী! ঘৰে ঘৰে ক'লা পতাকা!

কথাটো বেপ্পোই এজনক মানুহ

সোধোঁ-নোসোধোঁকৈ সুধিলে।

মানুহজনে ক'লে, "তুমি ৰাজধানীৰ অধিবাসী নোহোৱানে কি? —আজি মাজ নিশাৰ মুহূৰ্তমান পাছত যে স্বয়ং চয়তানে আমাৰ ৰাজকুঁৱৰীক চিৰদিনৰ বাবে লৈ যাবহি যে নাজানানে কথাটো? চয়তানৰ সৈতে মহাৰাজেই এই চুক্তিত চহী কৰিছিল। আজি মাজনিশা সেই চুক্তিৰ ম্যাদ উকলিবৰ হ'ল।"

বেপ্পোই ৰজাক ক'লেগৈ, "মহাৰাজ, আপুনি মোক যে মুক্তজীৱনৰ সুখ দিছে, আজি মই সেই ঋণৰ কথঞ্চিত পৰিশোধ কৰিম। ৰাজকুঁৱৰীক চয়তানৰ টান



মুঠিৰপৰা উদ্ধাৰ কৰিম মই।"

"তোমাৰ সাহস অতুলনীয়। কিন্তু চয়তানৰ বিৰুদ্ধে তুমি বা পৃথিৱীৰ কোনেও একোৱেই কৰিব নোৱাৰিব। তেতিয়া ভালকৈ নেদেখা-নুবুজাকৈ আৰু তাৎক্ষণিক বিপদৰপৰা ৰক্ষা পৰিৰলৈ সেই চুক্তিত মই নিজেই স্বাক্ষৰ কৰিছিলোঁ। দোষ চয়তানৰ নহয়, মোৰ। চয়তানৰ কাম চয়তানে কৰিবই। মই কিয় আগম-পুৰাম নোচাৰাকৈ কাম কৰিছিলোঁ—?" ৰজাই খেদ প্ৰকাশ কৰিলে।

"ঠিক আছে, তথাপি দেখা যাওক—মানুহেই ডাঙৰনে চয়তান। আপুনি মাত্ৰ এইকেইটি বন্দৰস্ত কৰি দিলেই হৈ যাব মহাৰাজ! ৰাজকুঁৱৰী যিটো কক্ষত থাকিব, সেই কক্ষৰ ঠিক কাষৰীয়া কক্ষটোত আজি ৰাতিটোৰ বাবে মোৰ থকাৰ বন্দৰস্ত কৰিব। আৰু চাব—চয়তানে যাতে মোৰ কক্ষৰ মাজেদি ৰাজকুঁৱৰীৰ শয়নকক্ষলৈ সোমায়গৈ তাৰ বন্দৰস্ত কৰিব। অৰ্থাৎ চয়তানে মোৰ কক্ষৰ মাজেদি নোযোৱাকৈ ৰাজকুঁৱৰীৰ কক্ষ নাপায়গৈ যেন, বেলেগে সোমাব নোৱাৰে যেন। মোৰ কক্ষত থাকিব লাগিব—এখন মেজ, কাগজ এখিলা, চিয়াহি আৰু কলম এডাল। আন একো নালাগে। বছ। তাৰ পাছত চাম—চয়তানৰ কিমান দাম—তাৰ পুহন বিয়া দেখুৱাম—তাক মোনাত ভৰাই পোনাম—।" বেপ্পোই ক'লে।

মহাৰাজে এই বন্দৰস্ত কৰি দিলে।

ঠিক মাজনিশা ৰাজপ্ৰাসাদ কঁপি উঠিল। আকাশৰপৰা বিনামেঘে বজ্ৰপাত হ'ল। ধুমুহা বলিলে, মেঘে গাজিলে, বৰষুণে জাগন পাতিলে। চাৰিওদিশ গন্ধকৰ গন্ধেৰে গধুৰ হৈ উঠিল।

আৰু তাৰে মাজতে স্বয়ং চয়তান বিজুলীগতিৰে খোলা দুৱাৰেদি বেপ্পো বহি থকা কক্ষৰ ভিতৰলৈ অহাৰ লগে লগেই বেপ্পোই মোনাটো মেলি ধৰি কৈ

উঠিল, "মাৰা জাঁপ—বোলা বাপ্!"

আৰু চকুৰ পচাৰ নৌ পৰোঁতেই চয়তান সোমাই পৰিল বেপ্লোৰ যাদু-মোনাত। লগে লগে বেপ্লোই মোনাটোৰ মুখ বন্ধ কৰি দিলে।

মোনাৰ ভিতৰ চয়তান ছটফট কৰি থাকিল। চয়তানে চিয়ঁৰি চিয়ঁৰি কৈ থাকিল, "কোনহে তুমি—? কিয় মোক এই যাদু-মোনাত ভৰাইছা?"

বেপ্লোই ক'লে, "কিয় যে ভৰাইছোঁ তুমিও জানাই। গতিকে হৈ-চৈ কৰি লাভ নাই। তাতকৈ—যি কওঁ তাকে কৰা। এইখিলা কাগজত—মোনাৰ সৌ সোঁফালৰ সৰু বিন্ধাইদি সোঁহাতখন উলিয়াই চহী এটা মাৰি দিয়া, তেতিয়া তোমাক নিশ্চয় এৰি দিম, ৰংমনে গুচি যাবাগৈ।"

"কি কাৰণে চহী?" চয়তানে সুধিলে।

"ৰাজকুঁৱৰীৰ ওপৰত তোমাৰ যে কোনো অধিকাৰ নাই—সেই কাৰণে চহী।" বেপ্লোই চয়তানক ক'লে।

"জনমটো পাত কৰিলেও সেই চহী নোপোৱা।" চয়তানে দৃঢ়তাৰে ক'লে।

"ঠিক আছে, তেনেহ'লে মই মোৰ দেৱাই দিওঁ ৰ'বা।" এই বুলি কৈ বেপ্লোই মোনা-বন্দী চয়তানৰ পিঠিত ৰাবৰি ফুল বাছিবলৈ ধৰিলে।

চয়তান হ'ল নৰকৰ ৰজা। কিন্তু নৰক-যাতনা সি নিজে কেতিয়াও ভুঞ্জা

নাছিল, কেৱল শুনিছিলহে। আজি সেই নৰক-যাতনাৰ সোৱাদ পাই থাকিল। বেপ্লোই তাক উৰাই-ঘূৰাই মাৰিবলৈ ধৰাত সি চয়তানে শেহাস্তৰত বাধ্যত পৰি কেঁকাই-কেঁকাই ক'লে, "দিম দিম—চহী দিম—নালাগে মোক ৰাজকুঁৱৰী—গুচি যাম ভৰিত ধৰি—কৰি দিয়া মাফ—এৰি দিয়া বাপ্ !"

তেতিয়া বেপ্লোৰ হুকুমত চয়তানে মাৰি দিলে বেপ্লোৰ কাগজত চহী। লগে লগে মোনাৰ মুখ দিলে খুলি, বাহিৰ হৈ আহিল চয়তান কুকুৰধূলি। ওলাল বিকট গন্ধকৰ গন্ধ — আৰু পলাল সেই সলি-সিয়ান চয়তান নকৰি কোনো ছল-ছন্দ।

ৰক্ষা পৰিল ৰাজকুঁৱৰী—সকলোটিয়ে বুলিলে জয়ৰাম জয়হৰি।

বেপ্লোক স্বয়ং মহাৰাজে, তথা ৰাজ্যৰ জ্ঞানী-গুণীসকলেও শলাগনিৰে ওপোচাই পেলালে। ৰাজধানীত—তথা সমগ্ৰ ৰাজ্যত উছৱ-আনন্দৰ জোৱাৰ চলি থাকিল। ৰজাই বিৰাট ভোজেৰে বেপ্লোক আদৰিলে। তাৰ পাছত বেপ্লোই অতি সাধাৰণভাবে বিদায় ল'লে।

তাৰ পাছত বেপ্লো দেশভ্ৰমণলৈ ওলাল আৰু নিজৰ মনে-খোৱা—নিগাজী হৈ বসবাস কৰিব পৰা-ঠাই এডোখৰ বিচাৰি থাকিল। গৈ গৈ হৈ চৈ নথকা নৈ এখনৰ পাৰত নিৰল ঠাই এডোখৰত অতি ধুনীয়া কুটিৰ এটা দেখা পালে। সেই কুটিৰৰ চাৰিওফালে নানান ধৰণৰ নানান বৰণৰ ফুলৰ গছ ফলৰ গছ-চৰাই-চিৰিকতি কত কি যে চকুত পৰিল। চাই-চিঁতি দেশ-ভ্ৰমণৰ কথা পাহৰি এইডোখৰ ঠাইতে খলি লোৱাৰ মন কৰিলে বেপ্লোই।

এইদৰে এই ঠাইত বেপ্লোৰ বহু দিন পাৰ হ'ল। এদিন-তালৈ এজন আগন্তুক আহিল। এই আগন্তুক দেখাত কিচ ক্ৰিচ কৰে ক'লা আৰু তাৰ দৃষ্টি নিষ্পলক।

"তুমিনো কোন?" বেপ্লোই সুধিলে,

"মৃত্যু।" আগন্তুকে ক'লে।

"অঃ! তেনে'হলে—" যাদু-মোনাটো উলিয়াই লৈ বেপ্লোই ক'লে, "মাৰা জাঁপ —বোলা বাপ।"

লগে লগে মৃত্যু বেপ্লোৰ যাদু-মোনাত জাঁপ মাৰি সোমাই পৰিল।

মৃত্যুৱে যাদু-মোনাৰপৰা ওলাবলৈ বহুত ধৰণে চেষ্টা কৰিলে, কিন্তু মৃত্যু ব্যৰ্থ হ'ল।

ডেৰ বছৰ ধৰি বেপ্লোই যাদু-মোনাৰ মুখ নোখোলা হ'ল, মৃত্যুও নোলোৱা হ'ল। এই ডেৰ বছৰ ধৰি পৃথিৱীত কোনো মানুহ নমৰিল। যুদ্ধ আউৰ দুৰ্ঘটনা আদি নোহোৱা নহ'ল, কিন্তু কোনো মানুহৰ মৃত্যু নহ'ল।

মৃত্যুৱে বেপ্লোক বহু ধৰণে বুজাবলৈ চেষ্টা কৰিলে; ক'লে যে—মৃত্যুৰ অবিহনে জীৱনযাত্ৰা ৰুদ্ধ হৈ পৰে. অতি বৃদ্ধ আৰু দীৰ্ঘকাল ধৰি শয্যাগত ৰোগী-ইতৰ জীৱন মৃত্যুৰ অবিহনে অতি যন্ত্ৰণা-দায়ক হৈ উঠে। এওঁলোকৰ কাৰণে মৃত্যুৱেই হ'ল মুক্তি। মৃত্যুৰ গতি ৰুদ্ধ হৈ যদি কেৱল জন্মৰ প্ৰক্ৰিয়া চলি থাকে, তেতিয়া পৃথিৱীখনত থকাৰ ঠাইৰো নাটনি হ'ব।

এইবোৰ কথাৰ সত্যতা যেগোই মানি

ল'বলগীয়া হ'ল। তাৰ পাছত বেপ্লোই মৃত্যুৰপৰা প্ৰতিশ্ৰুতি ল'লে যে বেপ্লোই নমতালৈকে মৃত্যুৱে বেপ্লোৰ কাষ কদাপি নাচাপিব।

এই প্ৰস্তাৱত মৃত্যু যেতিয়া সন্মত হ'ল, বেপ্লোই মৃত্যুক মোনাৰপৰা মুক্ত কৰি দিলে।

তাৰ পাছতো বহু বছৰ পাৰ হ'ল। এতিয়া বেপ্লোৰও তিনিকাল গৈ এককাল লাগিল। বেপ্লোৰ সকলো বন্ধু-বান্ধৱ ঢুকাল। ৰজা-ৰাজকুঁৱৰীকো মৃত্যুৱে লৈ গ'ল। আৰু নো কি—? বেপ্লোই তাৰ চাকৰৰ যোগেদি মৃত্যুলৈ সম্বাদ পঠালে

তাক অতি সোনকালে লৈ যাবলৈ।

কিন্তু এইবাৰ মৃত্যুৱে বেপ্লোৰ দেহ আৰু আত্মাক বিচ্ছিন্ন কৰিবলৈ অমান্তি হ'ল। তেতিয়াৰ অপমানৰ চোটোকা মৃত্যুৱে এইদৰে ল'লে।

তেতিয়া বেপ্লো পোনে পোনেই নৰকলৈ গ'ল আৰু নৰকৰ বিৰাট দুৱাৰত খটখটালেগৈ। তাত তেতিয়া চয়তান উপস্থিত আছিল। চয়তানে তাৰ অনুচৰ-হঁতক ক'লে, "ইয়াক ভিতৰলৈ আহিবলৈ নিদিবা। ইয়াক মাৰি ভৈয়াম কৰি বাহিৰলৈ বগৰাই দিবা।"

চয়তানৰ অনুচৰবিলাকে তেনেকুৱা কামকে কৰিলে।

তাৰ পাছত বেপ্লো স্বৰ্গলৈ গ'ল আৰু তাক স্বৰ্গস্থললৈ সোমাবলৈ দিবলৈ স্বৰ্গৰ দুৱৰীক ক'লে। স্বৰ্গৰ দুৱৰীয়ে ক'লে, "ৰ'ব, ঈশ্বৰ-দেউতাক সুধি আহোঁগৈ।" এই বুলি কৈ দুৱৰীয়ে স্বৰ্গৰ দুৱাৰ খুলি ভিতৰলৈ গ'ল আৰু বেপ্লোই তাৰ মূৰৰ টুপিটো স্বৰ্গৰ ভিতৰলৈ দলি মাৰি দিলে।

দুৱৰী উভতি আহিল আৰু বেপ্লোক কৈ থাকিল, "ঈশ্বৰ-দেউতাই তোমাক স্বৰ্গৰ ভিতৰলৈ যাবলৈ আদেশ দিয়া নাই। মৰ্ত্যত থাকোঁতে তুমি মাত্ৰ এটাহে সজ কাম কৰিছিলা, চয়তানক পিটন দিছিলা। কিন্তু কেৱল সেইকণ সজ কামৰ কাৰণেই তোমাক স্বৰ্গত ঠাই দিব নোৱাৰি বুলি তেওঁ কৈছে।"

"পিছে—মোৰ টুপিটো যে তাত উফৰি পৰিল। সেইটো মোক বুটলি আনিবলৈ দিয়া।"

"বাৰু, লৈ আহা।" দুৱৰীয়ে ক'লে।

সেই যে বেপ্লো স্বৰ্গস্থানৰ ভিতৰলৈ সোমাই গ'ল, সি আৰু স্বৰ্গৰপৰা একোপধ্যে ওলাই নহা হ'ল।

এইদৰেই বেপ্লো বোপাৰ একেবাৰে সোঁশৰীৰে স্বৰ্গলাভ হ'ল।

বিজুলী-বাহন-বাঁহ !

থাইল্যাণ্ড, মালয়েছিয়া, ইন্দোনেজিয়া আদি দক্ষিণ-পূৰ্ব এছিয়াৰ দেশসমূহত বাঁহ আৰু বাঁহনি ক'বলৈ গ'লে বিজুলীগতিৰে বাঢ়ে। উত্তৰ-পূব ভাৰতৰ বাঁহবোৰ মাত্ৰ একমিটাৰলৈ বাঢ়োঁতে যিস্থলত ৬ ৰপৰা ৮ সপ্তাহ সময় লয়, ওপৰত উক্ত দেশসমূহৰ বাঁহবোৰ ২৪ ঘণ্টাতে এক মিটাৰকৈ বাঢ়ে !





মানুহতকৈ প্ৰখৰ !

পশু-পক্ষী মাছ-কাছ আৰু অন্যান্য কীট-পতংগয়ো ভূঁইকঁপ, বা মাৰলি, ধুমুহা বানপানী বা অন্যান্য প্ৰাকৃতিক বিপৰ্য্যয়ৰ বতৰা মানুহতকৈ ঢেৰ ঢেৰ আগতে পোৱা হয়। কিছুমান মাছ এই বিষয়ে আচৰিতধৰণে অভিজ্ঞ। জেলি-ফিশ্ নামৰ এবিধ সামুদ্ৰিক মাছে কমেও ১৫ ঘণ্টাৰ আগতে ধুমুহা-বানপানীৰ আগ-বতৰা অনুভৱ কৰিব পাৰে, আৰু তীৰ এৰি গভীৰ সমুদ্ৰলৈ গুচি যায়। আকৌ —কিছুমান মাছ-কাছ জাতীয় প্ৰাণীয়ে সাগৰ-তলীত উদ্গীৰণ ভূকম্পন বা তেনেজাতীয় কিবা অনুভৱ কৰি সাগৰতলীৰপৰা সাগৰৰ তীৰ ফালে গতি কৰে। শুনাত বেয়া, কিন্তু এই বিষয়ত এইবোৰ জীৱ মানুহতকৈ প্ৰখৰ !

মিনি-এভাৰেস্ট !

উই-পৰুৱাই সজা কিছুমান হাঁফলু দেখাত এক সৰু পাহাৰৰ দৰে হয়। কিছুমান হাঁফলু ২১ ফুটলৈকো ওখ হয়, যিবোৰ উই-হাঁফলুক 'মিনি এভাৰেস্ট' বুলিও ক'ব পাৰি !



PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.

Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯২ চনৰ অগাস্ট সংখ্যাত প্ৰকাশিত হ'ব ।

M. C. Morabad

Devidas Kasbekar

ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগতে
* মিল থাকিব লাগিব। ১৯৯২ চনৰ জুলাই মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯২ চনৰ মে' মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : **সুৰৰ লহৰ** দ্বিতীয় ফটো : **আনে মনত পোহৰ**

শৰ্মিলা দত্ত, শান্তিপুৰ, পাঠশালা, অসম।

ভাৰতত বছৰেকীয়া বৰঙণি **চা ন্দ মা মা** ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

সকলোৰে আহাছোন কেম্পকো-ৰ গাবলৈ গুণ!

"গাখীৰৰ গুণ ভৰা, পুষ্টিও আছে ওপচি, সেয়ে যাঁও খাবলৈ সকলো নেওচি।
এনে এটা চকোলেট- আছে সকলো যত, কেম্পকো ক্ৰীমি মিল্ক চকোলেট।"

ভাৰতৰ এটাইতকৈ ডাঙৰ, সবাতোকৈ আধুনিক প্লাণ্টত তৈৰি।
কেম্পকো লিমিটেড, মাঙ্গালোৰ ·

R K SWAMY/BBDO CL 10117 AS

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :

অসমীয়া, হিন্দী, গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু

আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে 216.00

**ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ**

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে 216.00

আপোনাৰ বৰঙণি বেংক ডিমাণ্ড ড্ৰাফ্‌ট নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছ্‌লৈ পঠাওক :

ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

(Assamese) July 1992 Regd. No. TN/MS(S)/87

CLARION K-566A